ৰূপালী জয়ন্তী বৰ্ষ

# শ্ৰেণী সংগ্ৰাম

২৫ বছৰ ঃ দশম সংখ্যা ঃ অক্টোবৰ, ২০০২ মূল্য ঃ পাঁচ টকা।

OKDISCD

সম্পাদকীয়

## জম্মু কাশ্মীৰৰ 'নিৰ্বাচন'ৰ পৰা পাকিস্তানৰ 'নিৰ্বাচন'লৈ উপমহাদেশৰ আকাশত অশনি-সংকেত


আচৰিত ধৰণৰ সদৃশ পৰিস্থিতিত অলপতে পাকিস্তান আৰু জম্মু কাশ্মীৰত 'নিৰ্বাচন' অনুষ্ঠিত হয়। দুয়োটা 'নিৰ্বাচন'ৰ তাৎপৰ্যও তুলনীয়। যোৱা ১৬ চেপ্তেম্বৰৰ পৰা ৮অক্টোবৰলৈ চাৰিটা পৰ্যায়ত জম্মু-কাশ্মীৰত 'নিৰ্বাচন' অনুষ্ঠিত হয়।

শ্ৰেণীসংগ্ৰামৰ এই সম্পাদকীয় পৃষ্ঠাত আমি বাৰম্বাৰ দেখুৱাই আহিছোঁ যে কাশ্মীৰী জনগণক জড়িত নকৰাকৈ, আৰু তেওঁলোকৰ আত্মনিৰ্ধাৰণৰ অধিকাৰক স্বীকাৰ নকৰাকৈ কাশ্মীৰ সমস্যাৰ কোনো সমাধান অসম্ভৱ। কিন্তু এই কথাক সম্পূৰ্ণ উলাই কৰি অভূতপূৰ্ব নিৰাপত্তা ব্যৱস্থাৰ মাজত অনুষ্ঠিত জম্মু কাশ্মীৰৰ তথাকথিত 'নিৰ্বাচন' প্ৰকৃততে আছিল তাত ভাৰতীয় দখলদাৰী বাহিনীৰ বৈধতা স্বীকাৰ কৰাবৰ বাবে অনুষ্ঠিত এক নিষ্ঠুৰ ভেকোভাওনা।


কাশ্মীৰ ঃ জ্বলন্ত

জম্মু কাশ্মীৰৰ নিৰ্বাচনত ৪০-৪৫% ভোটাৰে ভোট দিয়া বুলি দেখুৱা হৈছে যদিও এই ভোটৰ অধিকাংশই আহিছে হিন্দু-অধ্যুষিত জম্মুৰ পৰা। উদাহৰণস্বৰূপে হিন্দু অধ্যুষিত জম্মু জিলাৰ চাম্ব, আখনুৰ, চুচেতগড় আৰু বিষ্ণাহ বিধানসভা সমষ্টিসমূহত ভোটদানৰ হাৰ আছিল ক্ৰমে ৭২.০৯%, ৭১.৯১%, ৭০.৭৮% আৰু ৬৮.৪৪%। ইয়াৰ বিপৰীতে কাশ্মিৰী মুছলীম অধ্যুষিত শ্ৰীনগৰ জিলাৰ বাটমালু, আমিৰাকদল আৰু হাববাকাদল বিধানসভা সমষ্টিসমূহত ভোটদান আছিল ক্ৰমে ৪.০২%, ৩.০৭% আৰু ১.৮৪%। কাশ্মীৰ উপত্যকাৰ যিবোৰ নগৰাঞ্চলত পৃথিৱীৰ বিভিন্ন দেশৰ সাংবাদিকসকল ঘূৰাঘূৰি কৰি আছিল আৰু য'ত ৰিগিঙৰ সুবিধা কম আছিল, তাত ভোটদানৰ পৰিমাণ আছিল মুঠেই ৫%। কিন্তু ভিতৰুৱা গ্ৰামাঞ্চলত ৰিগিং হৈছিল প্ৰচুৰ। আনহে নালাগে কেতবোৰ নগৰতো আধা-সামৰিক বাহিনীয়ে খোলাখুলিকৈ ৰিগিং কৰিছিল। এনেকৈ ৰিগিং কৰোঁতে ধৰা পৰা বহু অৰ্ধসামৰিক লোকক বেৰাকলৈ পঠাবলৈ প্ৰশাসন বাধ্য হয়।

এই তথাকথিত নিৰ্বাচনৰ বিশ্লেষণ কৰিলে দেখা যায় ঃ ১। ইয়াত কাশ্মীৰী জনগণৰ অংশগ্ৰহণ অতিশয় নগণ্য। ২। যি মুষ্টিমেয় সংখ্যক কাশ্মীৰীয়ে ভোট দিছে,




আনকি তেওঁলোকেও 'আজাদী' অৰ্থাৎ বিচ্ছিন্নতাৰ অধিকাৰসহ আত্মনিৰ্ধাৰণৰ দাবী পৰিত্যাগ কৰিছে, এনে কোনো প্ৰমাণ নাই। তাৰ বিপৰীতে এইসকল লোকে নিৰ্বাচনৰ মঞ্চটোকো যিমানদূৰ পাৰি ব্যৱহাৰ কৰি এক অন্তৰৱৰ্তীকালীন দৰদামৰ দোকান হিচাপে তাক কামত লগাব বিচাৰিছে। সেয়েহে তেওঁলোকে ভাৰতীয় শাসকশ্ৰেণীৰ পদলেহী এজেণ্ট ফাৰুক আব্দুল্লাক এই নিৰ্বাচনৰ সীমিত সুবিধাৰ মাজেৰেও ঘৃণাভৰে প্ৰত্যাখ্যান কৰিছে। কোৱা বাহুল্য যে ফাৰুক নামৰ এই পুতলাপ্ৰতীম দালালটি বছৰৰ বাৰমাহৰ ভিতৰৰ এঘাৰমাহেই বিলাতত থাকে। আৰু অৱশিষ্ট যি এটা মাহ তেওঁ জম্মু-কাশ্মীৰত কটায়, সেইটোও কাটি যায় গ'ল্ফ ক'ৰ্চত। এনে জাতিদ্ৰোহী দালালক কাশ্মীৰীসকলে প্ৰত্যাখ্যান কৰাৰ বিপৰীতে উগ্ৰ-মুছলীম-বিৰোধী, হিন্দু-সাম্প্ৰদায়িকতা কেন্দ্ৰৰূপে বিজেপিয়ে যি জম্মু এলেকাটো গঢ়ি তুলিছিল, তাৰ ৰাইজে আকৌ হিন্দু সাম্প্ৰদায়িকতাৰ শিৰোমণি বিজেপিক ঘৃণাৰে নাকচ কৰিছে। (মন কৰিবলগীয়া যে বিজেপি দিল্লীৰ শাসনলৈ অহাৰ পাছৰ যোৱা তিনিটা বছৰত যিমানবোৰ ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচন হৈছে, সেই সকলোতে বিজেপি শোচনীয় ভাৱে পৰাজিত হৈছে - একমাত্ৰ ক্ষুদ্ৰকাৰ গোৱাক বাদ দি)। যোৱাবাৰ জম্মু কাশ্মীৰত ২২ খন আসন লাভ কৰাবিজেপিয়ে এইবাৰ পালে মুঠেই এখন! ফাৰুক আব্দুল্লা আৰু বিজেপিক এনেকৈ ভোটদাতা মুষ্টিমেয় সংখ্যক (ক্ৰমে) মুছলীম আৰু হিন্দু ৰাইজে ইতিহাসৰ চুৱাপাতনিলৈ দলিয়াই দিয়াৰ কথাটো তাৎপৰ্যপূৰ্ণ।

৩। এই 'নিৰ্বাচন'ৰ পৰা এই কথাই প্ৰমাণিত হ'ল যে ভাৰত-পাকিস্তান দুয়োপক্ষই এতিয়াও কাশ্মীৰী জনগণক আহ্বাত নোলোৱাকৈ, অৰ্থাৎ ত্ৰিপাক্ষিক আলোচনালৈ নমতাকৈ দ্বিপাক্ষিকভাৱে কাশ্মীৰ সমস্যাৰ 'সমাধান' কৰিব বিচাৰে। সেয়েহে সমস্যাটো য'ত আছে, তাতেই ৰৈ আছে। ফলস্বৰূপে নিৰ্বাচনৰ আগে-পাছে অন্তৰ্ঘাতী কাৰ্যকলাপ কমা নাই। বাঢ়িছেহে। কাশ্মীৰী জনগণকো এটা পক্ষ হিচাপে মানি লৈ ভাৰত-পাকিস্তান-কাশ্মীৰ ত্ৰিপাক্ষিক আলোচনাৰ জৰিয়তে কাশ্মীৰীসকলৰ আত্মনিৰ্ধাৰণৰ সমস্যাৰ নকৰিলে কাশ্মীৰ অশান্ত আৰু ৰক্তাক্ত হৈয়েই থাকিব - এই নিৰ্বাচনৰো সেয়েই বাণী।

পশ্চিম সীমান্তৰ সিপাৰে অনুষ্ঠিত আনটো 'নিৰ্বাচন'ৰ তাৎপৰ্যও বেছি হ'লেও কম নহয়। সদ্যসমাপ্ত এই 'নিৰ্বাচন'ৰ ২৭২ খন আসনৰ ভিতৰত মুশ্বাৰাফৰ দ্বাৰা সমৰ্থিত পাকিস্তান মুছলীম লীগ (কায়ফ-এ-আজম)-দলে ৭৭খন, বেনজিৰ ভুট্টোৰ পাকিস্তান পিপলচ্ পাৰ্টিয়ে ৬২খন আৰু ছটা মৌলবাদী সংগঠনৰ যুক্তমঞ্চ মুত্তাহিদা মজলিছ-এ-অমলে (mma) ৫০খন আসন লাভ কৰে। (উল্লেখযোগ্য যে ১৯৯৭ চনৰ নিৰ্বাচনত এই দলসমূহে লাভ কৰিছিল মুঠেই দুখন আসন।) তদুপৰি এই জোঁটে বালুচিস্তান আৰু উত্তৰ পশ্চিম সীমান্ত অঞ্চলতো সংখ্যাগৰিষ্ঠতা লাভ কৰিছে। তালিবান আৰু আল-কায়দাৰ প্ৰতি সমৰ্থনশীল মুত্তাহিকাৰ বিজয়ে যি পৰিমাণে মৌলবাদৰ বিজয় সূচাইছে, সেই পৰিমাণে ই বাওঁপন্থীসকলৰ বাবে দুৰ্ভাগ্যজনক। কিন্তু শ্ৰেণীসংগ্ৰামৰ দৃষ্টিত এই বিজয়ে প্ৰকৃততে পাকিস্তানৰ জনগণৰ সুতীব্ৰ জাতীয়তাবাদী আকাংক্ষা আৰু সৰ্বোপৰি মাৰ্কিন সাম্ৰাজ্যবাদ বিৰোধী প্ৰতিবাদকহে সূচিত কৰিছে। সেই দৃষ্টিকোণৰ পৰা আমি তাক স্বাগতম জনাওঁ। পাকিস্তানী জনতাৰ এই মাৰমুখী মনোভাৱ দেখিয়েই আমেৰিকা এনেকৈ আতংকিত হৈ পৰিছে যে ইৰাকক এৰি ই এতিয়া পাকিস্তানকো আক্ৰমণ কৰিব পাৰে!

অনুমান কৰিবলৈ কঠিন নহয় যে পাকিস্তানী জনগণৰ জংগী মেজাজ দেখিয়েই আমেৰিকাই তুৰন্তে ভাৰত-পাকিস্তান সীমান্তত উত্তেজনা হ্ৰাসৰ হুকুম দিছে - জানোচা যিকোনো উত্তেজনাই মুজাহিদহঁতৰ শক্তিহে বঢ়ায়। কালি-পৰহিলৈকে কাৰ্গিলত ৰণছালি ধৰা, অক্ষৰধামৰ ঘটনাৰ বাবে 'সীমাৰ সিপাৰৰ সন্ত্ৰাসবাদী'ক দায়ী কৰা বিজেপি চৰকাৰে শেনটোৰ দৰে যুদ্ধযাত্ৰা কৰি এতিয়া ফেঁচাটোৰ দৰে ঘূৰি অহাৰ, অৰ্থাৎ ভাৰত-পাক সীমান্তৰ পৰা সেনা প্ৰত্যাহাৰ কৰাৰ ৰহস্যও তাতেই। পাকিস্তানেও লগে লগে সেনা আঁতৰাইছে। কিন্তু তাকে কৰিও এই দুয়োখন দেশৰ মাৰ্কিন পদলেহী চৰকাৰদ্বয়ে দুয়ো জনতাৰ ক্ষমাহীন ৰোষৰ পৰা বাচিব নোৱাৰিব। তাত বাধা দিবলৈ গ'লে ভাৰত আৰু পাকিস্তান দুয়ো ৰাষ্ট্ৰৰ ভূগোলৰ চিৰি চেহেৰা চিৰদিনৰ বাবে বদলি যোৱাৰ সম্ভাৱনাও নোহোৱা নহয়। ✪

চিন্তনীয়

# ফেচিবাদ আৰু শ্ৰমিক শ্ৰেণী

❑ মূল ঃজৰ্জি ডিমিট্ৰভ, অনুবাদ ঃ ৰেখামণি

কমৰেডসকল, কমিউনিষ্ট আন্তৰ্জাতিৰ ষষ্ঠ কংগ্ৰেছতে পৃথিৱীৰ শ্ৰমিক শ্ৰেণীক এইবুলি সাৱধান কৰি দিয়া হৈছিল যে, এটা নতুন ফেচিবাদী আক্ৰমণাত্মক অভিযান আসন্ন। ইয়াৰ বিৰুদ্ধে সংগ্ৰামৰ বাবে কংগ্ৰেছে আহ্বান জনাইছিল। কংগ্ৰেছে দেখুৱাই দিছিল যে, 'কম বেছি মাত্ৰাত ফেচিবাদী প্ৰৱণতা আৰু ফেচিবাদী আন্দোলনৰ বীজ প্ৰায় সৰ্বত্ৰতে বিয়পি পৰিছে।'



হিটলাৰ ঃ ফেচিবাদ -শিৰোমণি

বৰ্তমানৰ এই অতি সুগভীৰ অৰ্থনৈতিক সংকটৰ বিস্ফোৰণ, পুঁজিবাদৰ সাধাৰণ সংকটৰ অসাধাৰণ তীব্ৰতা বৃদ্ধি আৰু শ্ৰমজীৱী জনসাধাৰণৰ মাজত বিপ্লৱী চেতনা প্ৰসাৰৰ লগে লগে ফেচিবাদে এটা ব্যাপক আক্ৰমণাত্মক অভিযানৰ ৰূপ লৈছে। শাসক বুৰ্জোৱা শ্ৰেণীয়ে ক্ৰমে আৰু বেছিকৈ ফেচিবাদী মাধ্যমেৰে মুক্তি বিচাৰিছে। তেওঁলোকৰ উদ্দেশ্য হ'ল, শ্ৰমজীৱী মানুহৰ ওপৰত চৰম লুণ্ঠন ব্যৱস্থা আৰম্ভ কৰা। সাম্ৰাজ্যবাদী লুটপাটৰ বাবে সাজু হোৱা, চোভিয়েট ইউনিয়নক আক্ৰমণ কৰা, চীনক দমন কৰা আৰু খণ্ড খণ্ড কৰা আৰু এইবোৰ উপায়েৰে বিপ্লৱ বন্ধ কৰা।

সংকটৰ বোজা পূৰাপূৰি শ্ৰমজীৱী মানুহৰ ওপৰত জাপি দিয়াৰ উদ্দেশ্যে সাম্ৰাজ্যবাদী মহলে চেষ্টা কৰিছে। সেইকাৰণেই সিহঁতক প্ৰয়োজন ফেচিবাদৰ।

দুৰ্বল জাতিসমূহক দমন কৰি, ঔপনিবেশিক শোষণ তীব্ৰতৰ কৰি আৰু যুদ্ধৰ যোগেদি পৃথিৱীৰ নতুন পুনৰবণ্টন কৰি সিহঁতে বজাৰৰ সমস্যা সমাধানৰ চেষ্টা কৰিছে। সেইকাৰণেই তেওঁলোকক প্ৰয়োজন ফেচিবাদৰ।

শ্ৰমিক-কৃষকৰ বিপ্লৱী আন্দোলনক গুৰিয়াই দি, পৃথিৱীৰ শ্ৰমিক শ্ৰেণীৰ দুৰ্গ, চোভিয়েট ইউনিয়নৰ বিৰুদ্ধে সামৰিক অভিযান চলাই তাৰ বিপ্লৱী শক্তিৰ বিকাশ আগতীয়াকৈ প্ৰতিৰোধ কৰাৰ বাবে সিহঁত সচেষ্ট।

কেইখনমান দেশ, বিশেষকৈ জাৰ্মানীত, জনসাধাৰণ চূড়ান্তভাৱে বিপ্লৱৰ প্ৰতি আকৰ্ষিত হোৱাৰ আগেয়ে এই সাম্ৰাজ্যবাদী মহল শ্ৰমিক শ্ৰেণীকে পৰাজিত কৰি ফেচিবাদী একনায়কত্ব স্থাপন কৰিবলৈ সক্ষম হৈছে।

ফেচিবাদৰ এই জয়ৰ বৈশিষ্ট্য কিন্তু হ'ল এই যে - এফালে যিদৰে এই জয়ে বুৰ্জোৱাসকলৰ লগত শ্ৰেণী সহযোগিতাৰ বিভেদমূলক চচিয়েল ডেমক্ৰেটিক নীতিৰ ফলত পক্ষাঘাতগ্ৰস্ত আৰু ছত্ৰভংগ শ্ৰমিক শ্ৰেণীৰ দুৰ্বলতাৰ সাক্ষী দিয়ে, ঠিক তেনেকৈ আকৌ এই জয় বুৰ্জোৱাসকলৰ নিজৰেই দুৰ্বলতাৰ পৰিচায়ক। কাৰণ শ্ৰমিক শ্ৰেণীৰ ঐক্যবদ্ধ সংগ্ৰামৰ ভয় সিহঁতৰ আছে, বিপ্লৱৰ ভয়ত সন্ত্ৰস্ত - বুৰ্জোৱা গণতন্ত্ৰ আৰু পাৰ্লিয়ামেণ্টাৰী কাৰ্যক্ৰমৰ যোগেদি পুৰণা কায়দাৰে জনসাধাৰণৰ ওপৰত যে তেওঁলোকে নিজৰ একনায়কত্ব বজাই ৰাখিব - সেই অৱস্থা আৰু নাই।

চোভিয়েট ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ সপ্তদশ কংগ্ৰেছত কমৰেড ষ্টেলিনে কৈছিল, জাৰ্মানীত ফেচিবাদৰ জয়ক- 'কেৱল শ্ৰমিক শ্ৰেণীৰ দুৰ্বলতাৰ লক্ষণ বা শ্ৰমিক শ্ৰেণীৰ প্ৰতি চচিয়েল ডেমক্ৰেচিৰ বিশ্বাসঘাটকতা (যি ফেচিবাদৰ পথেই প্ৰশস্ত কৰিছে)ৰ ফল বুলি গণ্য কৰা ঠিক নহয়। ইয়াক বুৰ্জোৱাসকলৰ দুৰ্বলতাৰ লক্ষণ বুলিও একেদৰেই গণ্য কৰা উচিত। বুৰ্জোৱা শ্ৰেণী যে ইতিমধ্যেই পাৰ্লিয়ামেণ্টাৰী পন্থা আৰু বুৰ্জোৱা গণতন্ত্ৰ পুৰণা কায়দাৰে শাসন চলোৱাত অসমৰ্থ ইয়াক তাৰে লক্ষণ বুলি ধৰা উচিত। ইয়াৰ ফলত স্বৰাষ্ট্ৰ নীতিৰ ক্ষেত্ৰতো সিহঁতে শাসনকাৰ্য পৰিচালনাত সন্ত্ৰাসবাদী পদ্ধতি গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। বৰ্তমান পৰিস্থিতিত শান্তিপূৰ্ণ পৰৰাষ্ট্ৰ নীতিৰ ভিত্তিত তেওঁলোকে যে সংকট সমাধানৰ পথ বিচাৰি পোৱা নাই - তাকে তাৰ লক্ষণ বুলি গণ্য কৰা হ'ব। ইয়াৰ ফলত সিহঁতে যুদ্ধ লগোৱাৰ নীতি গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। (সমাজবাদৰ জয়, ইংৰাজী সংস্কৰণ পৃঃ ১১-১২)

## ফেচিবাদৰ শ্ৰেণী চৰিত্ৰ

কমৰেডসকল, কমিউনিষ্ট আন্তৰ্জাতিকৰ কাৰ্যকৰী সমিতিৰ ত্ৰয়োদশ প্লেনাম অধিৱেশনত অত্যন্ত সঠিকভাৱেই কোৱা হৈছিল যে ক্ষমতাত অধিষ্ঠিত ফেচিবাদ হ'ল যোগানদাৰ পুঁজি **(Finance Capital)** ৰ তৰফৰ সকলোতকৈ প্ৰতিক্ৰিয়াশীল, সকলোতকৈ সংকীৰ্ণ জাতীয়তাবাদী আৰু সকলোতকৈ সাম্ৰাজ্যবাদী অংশৰ প্ৰকাশ্য সন্ত্ৰাসবাদী একনায়কত্ব।

সকলোতকৈ প্ৰতিক্ৰিয়াশীল ফেচিবাদ হ'ল জাৰ্মান মাৰ্কা ফেচিবাদ। ইয়াৰ ইমানেই ধৃষ্টতা যে, ই নিজকে জাতীয় সমাজতন্ত্ৰ বুলি পৰিচয় দি থাকে যদিও সমাজবাদৰ লগত ইয়াৰ মতবাদৰ বিন্দুমাত্ৰও মিল নাই। হিটলাৰৰ ফেচিবাদ কেৱল বুৰ্জোৱা জাতীয়তাবাদেই নহয়, ই হ'ল পাশৱিক সংকীৰ্ণ জাতীয়তাবাদ। ই হ'ল ৰাজনৈতিক দস্যুবৃত্তিৰ চৰকাৰী সংস্কৰণ - শ্ৰমিক শ্ৰেণী আৰু কৃষক, মধ্যবিত্ত আৰু বুদ্ধিজীৱী সম্প্ৰদায়ৰ বিপ্লৱী অংশৰ ওপৰত প্ৰৰোচনা আৰু নিপীড়ণ চলোৱাৰ ব্যৱস্থা। ই হ'ল মধ্যযুগীয়া বৰ্বৰতা আৰু পাশৱিকতা - অন্যান্য জাতি আৰু দেশৰ পক্ষে বাধাহীন আক্ৰমণৰ নামান্তৰ।

জাৰ্মান ফেচিবাদে আন্তৰ্জাতিক প্ৰতিবিপ্লৱৰ অগ্ৰবাহিনী

সম্পাদনা-সদন

# অনুসূচীকৰণ প্ৰসংগত



শ্ৰেণীসংগ্ৰামৰ বিগত জুলাই ২০০২ সংখ্যৰ সম্পাদকীয় শিতানত আমি অনুসূচীকৰণ প্ৰসংগত মতামত প্ৰকাশ কৰিছিলো। যোৱা ১৯ চেপ্তেম্বৰত জনজাতি সংগঠনসমূহে কোচৰাজবংশীসকলৰ অনুসূচীকৰণৰ বিৰুদ্ধে অসম বন্ধ পালন কৰাৰ বিপৰীতে নামনি অসমত কোচ-ৰাজবংশীসকলে জনজাতি সংগঠনবিলাকৰ নেতৃত্বৰ প্ৰতিমূৰ্ত্তি দাহ কৰাকে ধৰি বিভিন্ন ঘটনা ঘটিছে। এনে ঘটনাবোৰৰ ফলত আমাৰ বঞ্চিত নিপীড়িত জনগোষ্ঠীবোৰৰ শত্ৰুতামূলক দ্বন্দ্ব গঢ় লৈ উঠিব পাৰে বুলি শ্ৰেণীসংগ্ৰামে আশংকা কৰে। শাসকশ্ৰেণীৰ উচতনিত ভোল গৈ তেনে শত্ৰুতাত জড়িত নহ'বলৈ ই সংশ্লিষ্ট সকলো পক্ষক আবেদন জনায়। শ্ৰেণীসংগ্ৰামে ঝাড়খণ্ডী আদিবাসী,কোচ ৰাজবংশী আৰু মৰাণ মটকসকলৰ অনুসূচীকৰণৰ প্ৰতি ইয়াৰ সমৰ্থন পুনৰ দোহাৰে। লগতে এইটোও স্পষ্ট কৰি দিয়ে যে বৰ্তমানৰ জনজাতিসকলৰ ভাগ কাটি এই অনুসূচীকৰণ দিয়া নচলিব। নতুনকৈ অনুসূচীকৰণ হোৱাসকলৰ বাবে পৃথক, জনসংখ্যা - আনুপাতিক আৰু বৰ্দ্ধিত সংৰক্ষণৰ আসনৰ ব্যৱস্থা কৰিব লাগিব।

# মণ্ডল আয়োগ আৰু উজনি অসম স্বায়ত্ত শাসন

অসমত বৰ্তমানে প্ৰায় ৫৫-৬০% লোক অ'বিচি , এম অ'বিচি বুলি জনা যায়। কোচৰাজবংশী,মৰাণ-মটক আৰু ঝাড়খণ্ডী আদিবাসীসকলৰ অনুসূচীকৰণ হ'লে এই তালিকাভুক্ত লোকৰ জনসংখ্যা আধাতকৈও কমি যাব। তেনেক্ষেত্ৰত অ'বিচি এমঅ'বিচিৰ বাবে ন্যূনতম ২৭% আসন সংৰক্ষণৰ হকে মণ্ডল আয়োগৰ পৰামৰ্শ ৰূপায়িত হ'লে উক্ত তালিকাৰ অৱশিষ্ট জনগোষ্ঠী অৰ্থাৎ তাই-আহোম, চুতীয়া, নাথ-যোগী সূত আদিৰ বাবে জনসংখ্যা বলবৎ হ'ব। কথাটো প্ৰণিধানযোগ্য এইবাবেই যিহেতু পশ্চিমবংগৰ দৰে দুই এখন ৰাজ্যক বাদ দি উত্তৰ আৰু দক্ষিণ ভাৰতৰ প্ৰায় সকলো ৰাজ্যতে মণ্ডল আয়োগৰ সিদ্ধান্ত ইতিমধ্যে ৰূপায়িত হৈছে। উত্তৰ প্ৰদেশৰ দৰে ৰাজ্যত ইতিমধ্যে ২৭% সংৰক্ষণ কাৰ্যকৰী হৈছে, আনহাতে দক্ষিণ ভাৰতৰ কে'বাখনো ৰাজ্যত (SC-ST বাদ দি) কেৱল পাছপৰা শ্ৰেণীৰ বাবে সংৰক্ষণেই ৫০%ৰ ওচৰা ওচৰি। সেয়েহে অসমতো মণ্ডল আয়োগৰ সিদ্ধান্ত ৰূপায়ণৰ বাবে চলোৱা আন্দোলনৰ সফলতাৰ সম্ভাৱনা আৰু যুক্তিযুক্ততা দুয়োটাই মজবুত।

ইয়াৰ বিপৰীতে চুতীয়া, তাই-আহোমকে ধৰি প্ৰতিটো সম্প্ৰদায়ে যদি কেৱল অনুসূচিত জনজাতিকৰণৰ দাবীটোহে তোলে তেনেহ'লে তেওঁলোকে প্ৰথমতে বৰ্তমানৰ জনজাতিসকলৰ লগত প্ৰবল সংঘাতত লিপ্ত হ'ব লাগিব। তদুপৰি তেওঁলোকৰ আন্দোলনে আন কে'বাটাও স্তৰ পাৰ হ'ব লাগিব। যেনে - ১। সমাজতাত্ত্বিক-সাংস্কৃতিক-ভাষিক বিভিন্ন দিশৰ পৰা নিজৰ জনজাতীয়তা প্ৰমাণ কৰা, ২। অনুসূচিত জনজাতিৰ তালিকাভুক্ত হোৱা আৰু ৩।তাতোকৈ ডাঙৰ কথা, বৰ্তমানৰ জনজাতিসকলৰ প্ৰবল বাধা নেওচি অনুসূচিভুক্ত হ'লেও বৰ্তমানৰ ১২.৫% জনজাতি সংৰক্ষণেৰে যিহেতু ৫০-৬০% মানুহৰ বাবে আসনৰ দিহা কৰা নাযাব, সেয়েহে পুনৰ সংগ্ৰাম কৰিব লাগিব সংৰক্ষিত আসনৰ সংখ্যা বৃদ্ধিৰ বাবে। ইয়াৰ বিপৰীতে মণ্ডল আয়োগৰ সিদ্ধান্ত ৰূপায়ণৰ দাবীত তুলনামূলকভাৱে সহজেই সফলতা অৰ্জন কৰিব পৰা যাব বুলি ভবাৰ থল আছে।



# মুছলীমসকলৰ বাবে সংৰক্ষণ প্ৰসংগত

মুছলীমসকলৰ বাবে সংৰক্ষণ অসমৰ চৰবাসী মুছলীমসকলক অন্যান্য পাছপৰা শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰি তেওঁলোকৰ বাবে সংৰক্ষণৰ দিহা কৰাৰ যি প্ৰস্তাৱ কংগ্ৰেছ চৰকাৰে দিছে তাৰ প্ৰতি দুই ধৰণৰ বিৰোধিতা দেখা গৈছে। যেনে : ১) বিজেপিয়ে ইয়াক সাম্প্ৰদায়িক বুলি আখ্যা দি বিৰোধিতা কৰিছে। তাতোকৈ আমোদজনক তথা নিন্দনীয় কথা যে চিপিএমৰ এক ৰাজ্যিক স্তৰৰ নেতাই কাকতত প্ৰবন্ধ লিখি বিজেপি-সদৃশ যুক্তিৰেই এই সংৰক্ষণৰ বিৰোধিতা কৰিছে। ২) আনহাতে সংখ্যালঘু সংগঠন কেতবোৰে চৰকাৰৰ প্ৰস্তাৱক মুছলীমসকলক 'নতুন' বাসিন্দা আখ্যা দিয়া হৈছে বুলি তাৰ বিৰোধিতা কৰিছে।

শ্ৰেণীসংগ্ৰামে দীৰ্ঘদিন ধৰি চৰ অঞ্চলৰ বাসিন্দাসকলকে ধৰি অসমৰ দৰিদ্ৰ মুছলীমসকলক অ'বিচি হিচাপে অন্তৰ্ভুক্তিৰ দাবী কৰি আহিছে আৰু তেওঁলোকৰ বাবে সংৰক্ষণো বিচাৰিছে। বিজেপি-চিপিএমৰ বিৰোধিতা আৰু কংগ্ৰেছ(ই)ৰ দুতলীয়ামিৰ বিপৰীতে আমি দৃঢ়ভাৱে এই সকল লোকৰ হকে দাবী তুলি আহিছোঁ আৰু তুলি থাকিম। (প্ৰসংগত উল্লেখযোগ্য এয়া আমাৰ ভাৰ সংগঠন আৰ্মকাৰো জন্মলগ্নৰ দাবী) ✪

বৰাকৰ চিঠি

# শিলচৰ ডায়েৰী

❑ চিঠি ঃ চন্দন সেনগুপ্ত, অনুঃ শেৱালি দাস

বৰাক উপত্যকাৰ সংগ্ৰামী ঐক্যমঞ্চৰ মুখপাত্ৰই জনায় যে বৰাক উপত্যকাৰ মানুহৰ অধিকাৰৰ সংগ্ৰামত এক নতুন সম্ভাৱনাৰ ক্ষেত্ৰ উন্মোচিত হৈছে। বৰাক উপত্যকাৰ গ্ৰাম-বাগান বস্তীৰ জনসাধাৰণৰ মনত প্ৰতাৰিত হোৱাৰ ক্ষোভ এইদৰে ধূমায়িত হৈছে যে যিকোনো স্পৰ্শকাতৰ বিষয়ক কেন্দ্ৰ কৰি প্ৰশাসন তথা চৰকাৰৰ বিৰুদ্ধে মানুহৰ পুঞ্জীভূত ক্ষোভৰ স্বতঃস্ফূৰ্ত বহিঃপ্ৰকাশ ঘটিব ধৰিছে। কিন্তু সাম্প্ৰদায়িক শক্তিসমূহে মানুহৰ এই ক্ষোভক সাম্প্ৰদায়িক বিভাজনৰ দিশে পৰিচালিত কৰাত সচেষ্ট হৈ পৰিছে। তৎসত্বেও সংগ্ৰামী ঐক্যমঞ্চৰ মুখপাত্ৰ সকলে আশা কৰে যে অসম তথা বৰাকৰ বৰ্তমান পৰিস্থিতিতো সম্প্ৰ দায়িক শক্তিসমূহক প্ৰতিহত কৰিব পৰা সম্ভাৱনাৰ যথেষ্ট থল আছে। প্ৰয়োজন মাথো ঐক্যবদ্ধ প্ৰচেষ্টাৰ।

বৰাকৰ বৰ্ণহিন্দু মধ্যবিত্ত সকলক দিল্লীৰ শাসকশ্ৰেণীৰ ওচৰত আত্মসমৰ্পণ কৰি আত্মঘাতী হোৱাৰ প্ৰৱণতা ত্যাগ কৰি স্ব শাসনৰ দাবিত আন্দোলনৰ মাধ্যমেৰে নিজৰ ভৰি তলৰ মাটি খামুচি ধৰিবলৈ আহ্বান জনায় সংগ্ৰামী ঐক্যমঞ্চই।

তেওঁলোকে আৰু কয় যে যদি ৰাইজে সাম্প্ৰদায়িকতাবাদী সকলৰ ভুৱা প্ৰচাৰত আকৃষ্ট হৈ কাল্পনিক শত্ৰু মুছলিম সকলৰ বিৰোধিতা কৰাতে ব্যস্ত থাকে তেতিয়া হ’লে বৰাক উপত্যকাৰ ভৱিষ্যত অন্ধকাৰ। বৰাকৰ সম্মুখত দেখা দিয়া ভয়াবহ পৰিস্থিতিৰ বিকল্প মাথোঁ দুই প্ৰকাৰৰ। প্ৰথমতে বৰাকৰ সাধাৰণ জনতাৰ ক্ষোভক এটি গণতান্ত্ৰিক দিশ প্ৰদান কৰিবৰ বাবে বৰ্ণহিন্দু মধ্যবিত্তসকল স্ব-শাসনৰ দাবীত আগবাঢ়ি অহা অথবা সাম্প্ৰদায়িক প্ৰৰোচনাত মত্ত হৈ বৰাকবাসীৰ ভৱিষ্যতক বিপদাপন্ন কৰি তোলা।

সংগ্ৰামী ঐক্যমঞ্চই মত পোষণ কৰে যে প্ৰতি জনগোষ্ঠীৰ সম-অধিকাৰ। সম-মৰ্যাদাৰ ভিত্তিতে স্ব-শাসনৰ অধিকাৰ সাম্প্ৰ দায়িক শক্তিক প্ৰতিহত কৰিব পৰা যায় তথা বৰাকৰ উন্নয়নক সুনিশ্চিত কৰা হ’ব।

এই উদ্দেশ্যে আগত ৰাখিয়ে স্ব-শাসনৰ দাবীত অহা নবেম্বৰ মাহত গাৱে-ভূঁয়ে এক পদযাত্ৰাৰ পৰিকল্পনা হাতত লৈছে সংগ্ৰামী ঐক্যমঞ্চই।

## ঝাড়খণ্ডী শ্ৰমিকসকলৰ অধিকাৰ সুৰক্ষাৰ হেতু সংগ্ৰামঃ

বৰাক উপত্যকাৰ চাহ বাগানবোৰত বনাচৰ প্ৰশ্নক লৈ কে চেপা উত্তেজনাৰ সৃষ্টি হৈছে। মে’ মাহত পাব লগা বৰ্ধিত হাজিৰাৰ বিষয়টোলৈ টনা আঁজোৰা চলিছিল। মালিক পক্ষ অৰু ইউনিয়ন যৌথভাৱে এক জোৰা-তাপলি মৰা সমাধানেৰে বিষয়টোক দমাই ৰাখে।

বাগানৰ চাহ-শ্ৰমিক ইউনিয়নে বোনাচৰ দাবিক গুৰুত্ব দি বাগান বন্ধৰ যি আহ্বান কৰিছিল এই ক্ষেত্ৰত মালিক পক্ষৰ কোনো ধৰণৰ প্ৰতিশ্ৰুতি নিদি আন্দোলন নকৰি মুখৰক্ষাৰ হেতু ১ নবেম্বৰৰ পৰা মে মাহৰ পৰা পাব লগা বৰ্দ্ধিত হাজিৰা লাগু কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। হলেও এয়া শ্ৰমিকসকলৰ প্ৰতি এক ভেকোভাওনা বুলিহে অনেকে আশংকা ব্যক্ত কৰিছে। যাৰ পৰিপ্ৰেক্ষিতত বনাচ চাহ-শ্ৰমিকসকলে কংগ্ৰেছী ইউনিয়নৰ ওপৰত ইতিমধ্যে বিশ্বাস হেৰুৱাই পেলাইছে। তেওঁলোক এতিয়া প্ৰতীয়মান যে কংগ্ৰেছী ইউনিয়ন কেৱল মালিক পক্ষৰ আলধৰা সংগঠন। কিন্তু এই মুহূৰ্ততে শ্ৰমিকসকলৰ বাবে গ্ৰহণযোগ্য কংগ্ৰেছৰ বিকল্প কোনো সংগঠন নাই। যাৰ সম্পূৰ্ণ সুযোগ লৈ কংগ্ৰেছীসকলে চাহ-শ্ৰমিকসকলৰ ক্ষোভক প্ৰশমিত কৰাৰ চেষ্টা অব্যাহত ৰাখিছে।

সেয়ে হ’লেও চাহ-শ্ৰমিক সকল এতিয়া অব্যাহত ৰাখিছে। দুৰ্বল জাতি হৈ থকা নাই। যুগ যুগ ধৰি নিপীড়িত শ্ৰমিকসকলে যি কোনো সময়তে এতিয়া স্বতঃস্ফুৰ্তভাৱে বিদ্ৰোহ কৰিব পাৰে। কিন্তু শ্ৰমিক সকলৰ এই বিপ্লৱী মনোভাৱক সঠিক দিশেৰে পৰিচালিত কৰিবৰ বাবে বৰ্তমান বিকল্প সংগঠিত শক্তিৰ নিতান্তই প্ৰয়োজন।

নিপিড়িত চাহ-শ্ৰমিকসকলক কামৰ মজুৰিতকৈও কম মজুৰি দি উপৰ্যুপৰি কঠোৰ পৰিশ্ৰম কৰাই হাজাৰ বছৰ ধৰি মালিক পক্ষই মুনাফা অৰ্জন কৰি আহিছে। চাহ-শ্ৰমিকসকলক সুদীৰ্ঘ বছৰ ধৰি ‘কুলি লেবাৰ’ নামেৰে পৰিচয় দি আহিছে যাৰ ফলত তেওঁলোকৰ জাতিগত পৰিচয় ক্ৰমাৎ হেৰাই গ’ল আৰু আত্মসম্মানবোধহীন দাসত্বত বন্দী এটা জাতিলৈ ৰূপান্তৰিত হ’ল। যাৰ চাহ- বাগানক বাদ দি আন কোনো কামৰ লগত জড়িত হোৱাৰ সুযোগ নাই।

গতিকে চাহ-শ্ৰমিক সকলৰ অৰ্থনৈতিক সুযোগ সুবিধা আদায় কৰিবলৈ হ’লে তেওঁলোকৰ জাতিগত নিপীড়নৰ বিৰুদ্ধে মাত মাতিব লাগিব তথা আত্মসম্মানবোধৰ প্ৰতি সজাগ হ’ব লাগিব।

## শিলচৰ শিশু নাট্যমেলা-২০০২

২০০২-ব ৯চেপ্তেম্বৰৰ পৰা ১৩ ছেপ্তেম্বৰলৈকে পাঁচদিনীয়া কাৰ্যসূচীৰে শিশু নাট্যমেলাৰ সফল সমাপ্তি ঘটে। শিলচৰ গান্ধীবাগত এক অস্থায়ী প্ৰেক্ষাগৃহত আয়োজন কৰা হৈছিল এই শিশু নাট্য মেলা য’ত অংশগ্ৰহণ কৰিছিল প্ৰায় তিনিশ শিল্পী, কলা-কুশলী শিশু আৰু কিশোৰ কিশোৰীয়ে। য’ত অভিভাৱক তথা আন দৰ্শকক বাদ দিও প্ৰায় ১০০০ শিশু দৰ্শক উপস্থিত আছিল। এই পৰিসংখ্যই শিশুনাট্যমেলাৰ সফল চিত্ৰখন অনুমান কৰাত সহায় কৰে।

তিনিও দিশ উন্মুক্ত এটা বিশাল মঞ্চত, মানুহৰ মুক্তিৰ লক্ষ্য আগত ৰাখি কোৰাচৰ সৌজন্যত যি বিশাল কৰ্মযজ্ঞ সমাপন হ’ল সিয়ে প্ৰমাণ কৰে যে অৰ্থ বা প্ৰতিপত্তি নহয় জীৱনৰ আচল চাবি কাঠি হ’ল আদৰ্শ নিষ্ঠা আৰু সামাজিক দায়বদ্ধতা।

বিশ্বায়নৰ প্ৰৰোচনাত সাম্ৰাজ্যবাদী সংস্কৃতি তথা-যান্ত্ৰিকতাৰ কবলৰ পৰা নতুন প্ৰজন্মক ৰক্ষা কৰি এই পৃথিৱীক মানুহৰ উপযোগী কৰাৰে প্ৰয়াস যেন এই শিশু নাট্যমেলা।

যি সময়ত বৈদ্যুতিক মাধ্যমৰ অগ্ৰণী ভূমিকায়ে শিশুসকলৰ স্বতঃস্ফুৰ্ত আনন্দ তথা মুক্ত আকাশৰ তলত মুক্ত বিহঙ্গৰ দৰে আচৰণ কৰাৰ আনন্দ কাঢ়ি নিছে, নিজ ইচ্ছানুসৰি সৃজনশীলতাৰ মাধ্যমেৰে ব্যক্তিত্ব বিকাশৰ পথ অবৰুদ্ধ কৰিছে তথা বিস্তৃত পাঠ্যক্ৰম স্কুল তথা মাষ্টৰৰ হেঁচাত পৰি পিষ্ট হৈছে শিশুৰ সোণালী শৈশৱ কৈশোৰ, সেই সময়তে গান্ধীবাগৰ শিশু নাট্যমেলাই মুক্ত পৰিবেশত তৰাভৰা আকাশৰ তলত আপোন পাহৰা হৈ জীয়াই থকাৰ সুবিধা দিলে শিশুসকলক কোৰাচে।

উল্লেখনীয় যে এই শিশুনাট্য মেলাই কোনোধৰণৰ প্ৰতিযোগিতাৰ আয়োজন কৰা নাছিল। যাৰ ফল স্বৰূপে প্ৰতিযোগিতাৰ মনোভাৱৰ পৰিৱৰ্তে পাৰস্পৰিক সহমৰ্মিতা, এক সামাজিক চেতনা তথা সকলোৱে মিলি কিবা এটা কৰাৰ এক সুস্থ পৰিবেশ সৃষ্টি কৰা সম্ভৱ হয়। এই শিশু নাট্য মেলাত মুঠ ২৯ খন নাট মঞ্চস্থ কৰা হয়। ইয়াৰ ৬ খন মঞ্চস্থ কৰে শিশুসকলে। উল্লেখনীয় যে এই নাট সমূহত শিলচৰৰ বিভিন্ন ভিতৰুৱা অঞ্চলৰ পৰা শিশুসকলক একত্ৰিত কৰি অভিনয়ৰ সুবিধা তথা নাট্যমেলাত অংশগ্ৰহণ কৰাৰ অধিকাৰ প্ৰদান কৰে। যি শিলচৰৰ সংস্কৃতিৰ পথাৰত বঙালী হিন্দু মধ্যবিত্ত শ্ৰেণী তথা নতুন প্ৰজন্মক এক নতুন দিশৰ সন্ধান দিব বুলি কোৱাৰ থল আছে।

এই নাট্যমেলাৰ লগতে সংগতি ৰাখি কোৰাচে এখন স্মৰণিকাও প্ৰকাশ কৰে, যাৰ আনুষ্ঠানিক ভাৱে উন্মোচন কৰে অৰুণোদয়ৰ সম্পাদক চন্দন সেনগুপ্তই। মানুহ গঢ়াৰ এই বৰ্ণাঢ্য কৰ্মশালাৰ শুভ উদ্বোধন কৰে কণমানি শাওলী মণ্ডলে বেলুন উৰুৱাই। ✪

OKD

বিষয় ঃ বিটিচি

# বিটিচিৰ বিৰুদ্ধে ৰে'ল অৱৰোধত উত্তাল নামনি অসম

## কোকৰাঝাৰত সেনাৰ অত্যাচাৰ ঃ বজালী-কোকৰাঝাৰ বন্ধ




তামাৰহাট, ৮ অক্টোবৰ ঃ প্ৰস্তাৱিত বিটিচিৰ বিৰোধিতা কৰি কালিৰে পৰা সম্মিলিত জনগোষ্ঠীয় সংগ্ৰাম সমিতিয়ে আহ্বান জনোৱা ৰাজ্যজুৰি ৰে'ল অৱৰোধৰ কাৰ্যসূচীৰ আজি দ্বিতীয় তথা শেষ দিনা কোকৰাঝাৰ জিলাৰ পৰা পশ্চিমবংগ সীমান্তলৈ ৰে'ল সেৱাৰ নিৰাপত্তাৰ দায়িত্ব জিলা প্ৰশাসনে সেনাৰ হাতত গতাই দিয়ে। কিন্তু সেনাৰ কঠোৰ নিৰাপত্তাৰ মাজতে আজি দিনৰ ১১বজাত গোসাঁইগাঁৱৰ পৰা ৫ কিলোমিটাৰ আঁতৰৰ ৰাঙাপাৰাত সহস্ৰাধিক প্ৰতিবাদী লোক ৰেলপথলৈ ওলাই আহি অঞ্চলটো প্ৰতিবাদমুখৰ কৰি তোলে। প্ৰতিবাদকাৰীসকলে আজি ৰাঙাপাৰাতে নামনিমুৱা বাংগালোৰ এক্সপ্ৰেছখন ৩০মিনিট সময় অৱৰোধ কৰি ৰাখে। উল্লেখ্য যে প্ৰতিবাদস্থলীত আজিও আৰক্ষী-সেনাৰ লাঠিচালনা আৰু আতিশয্যত বহুসংখ্যক প্ৰতিবাদী লোক আহত হয়। জানিব পৰামতে, ৰে'ল অৱৰোধস্থলীতে সেনাই আতিশয্য চলাই প্ৰায় কুৰিজন লোকক গুৰুতৰ গুৰুতৰভাৱে আহত কৰাৰ উপৰি ৰাঙাপাৰাৰ ওচৰৰ গাঁওসমূহতো প্ৰৱেশ কৰি ঘৰতে থকা পুৰুষ-মহিলাসকলৰ ওপৰত শাৰীৰিক নিৰ্যাতন চলায়। সম্মিলিত জনগোষ্ঠীয় সংগ্ৰাম সমিতিৰ উপ-মুখ্য আহ্বায়ক ব্ৰজেন মহন্ত আৰু সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ সভাপতি জাষ্টিন লাক্ৰাই আজি শ্ৰীৰামপুৰৰ সাংবাদিকৰ আগত অভিযোগ কৰামতে, সেনাৰ জোৱানে আজি ৰাঙাপাৰাত চলোৱা বৰ্বৰ অত্যাচাৰত শাওণা হেমব্ৰম, হটনী চোৰেন নামৰ লোকদুজনৰ লগতে সোনা বাস্তে নামৰ গৰ্ভৱতী মহিলা এগৰাকী গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন হ'ব লগা হৈছে। সাংবাদিকক মহন্ত আৰু লাক্ৰাই জনোৱামতে, সেনাৰ জোৱানে আজি দুপৰীয়া পথাৰত গৰু চলাই থকা লোককো টানি আনি ৰেলপথত শুৱাই দি বৰ্বৰ নিৰ্যাতন চলায়। গণতান্ত্ৰিকভাৱে প্ৰতিবাদ সাব্যস্ত কৰিবলৈ যোৱা জনসাধাৰণৰ ওপৰত চৰকাৰে সেনাৰ দ্বাৰা অত্যাচাৰ চলোৱা কাৰ্যৰ তীব্ৰ ভাষাৰে গৰিহণা দি সম্মিলিত জনগোষ্ঠীয় সংগ্ৰাম সমিতিৰ নেতা দুগৰাকীয়ে কয় যে চৰকাৰৰ এই পদক্ষেপ ভাৰতীয় গণতন্ত্ৰৰ ওপৰতে এক কুঠাৰাঘাত। তেওঁলোকৰ মতে, গণতান্ত্ৰিক ব্যৱস্থাৰ ওপৰত বিশ্বাসী সংগ্ৰামী ৰাইজৰ ওপৰত আৰক্ষী-সেনাৰ নিৰ্যাতন চলাই চৰকাৰে উগ্ৰপন্থী শক্তিসমূহকহে প্ৰশ্ৰয় দিছে আৰু অচিৰেই ইয়াৰ ভয়াবহ পৰিণতি সমগ্ৰ অসমৰ ৰাইজে ভোগ কৰিব লাগিব।

উল্লেখ্য যে আৰক্ষী-সেনা বাহিনীৰ জোৱানে পথ অৱৰোধ কাৰ্যসূচীৰ দুয়োদিনাই প্ৰতিবাদীৰ ওপৰত অত্যাচাৰ চলোৱাৰ প্ৰতিবাদত সম্মিলিত জনগোষ্ঠীয় সংগ্ৰাম সমিতিৰ কোকৰাঝাৰ জিলা সমিতিয়ে ১০ অক্টোবৰৰ পুৱা ৫ বজাৰ পৰা বিয়লি ৫ বজালৈ বাৰঘণ্টীয়া কোকৰাঝাৰ জিলা বন্ধৰ আহ্বান জনাইছে। সংগঠনটোৰ জিলা সমিতিৰ সভাপতি কামেশ্বৰ হাজদাই আজি এই কথা জানিবলৈ দিছে।

### বঙাইগাঁৱত বিয়পিছে বিক্ষোভ

বিটিচি গঠনৰ বিৰোধিতাত আজি উত্তাল হৈ পৰে বঙাইগাঁও। উত্তৰ শালমাৰাৰ বিভিন্ন অঞ্চলৰ পৰা ওলাই অহা প্ৰায় ৪ হেজাৰ অবড়ো লোকে আজিও পুৱাৰে পৰা সমবেত হৈ ৰেলপথ অৱৰোধ সফল কৰি তোলে।

উল্লেখযোগ্য যে কালি ৰেলপথ অৱৰোধ কৰিবলৈ অহা কেইবাহাজাৰ লোকক ছত্ৰভংগ দিয়াবলৈ গৈ আৰক্ষী বাহিনীয়ে লাঠিচালনা কৰি খেদি পঠাইছিল। কালিৰ লাঠিচালনাৰ পিছত অঞ্চলটোৰ পৰিস্থিতি উত্তেজনাপূৰ্ণ হৈ পৰিছিল। আনহাতে আজি পিকেটিংকাৰীসকলে অৱৰোধ কৰাৰ সময়ত বিভিন্ন ধ্বনিৰে সমগ্ৰ অঞ্চল কঁপাই তোলে। চৰকাৰে গ্ৰহণ কৰা কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে আজিৰ কাৰ্যসূচীৰ দ্বিতীয়দিনা উজনিমুৱা আৰু নামনিমুৱা আটাইবোৰ ৰেলৰ চলাচল অব্যাহত ৰাখে। ইপিনে, আজি জিলাখনৰ উত্তৰ শালমাৰাৰ নিকটৱৰ্তী বাখলগাঁৱত সম্মিলিত জনগোষ্ঠীয় সংগ্ৰাম সমিতিৰ কেইবাশ অৱৰোধকাৰীয়ে নিউ বঙাইগাঁও-যোগীঘোপা ৰেলপথত ৰেল অৱৰোধৰ বাবে অৱস্থান গ্ৰহণ কৰে যদিও নিৰাপত্তাৰক্ষীয়ে অৱৰোধকাৰীসকলক বাধা আৰোপ কৰে। আৰক্ষীয়ে বাখলগাঁৱৰ পৰা ১০৭জন অৱৰোধকাৰীক গ্ৰেপ্তাৰ কৰে আৰু অভয়পুৰী থানালৈ নিয়ে। অৱশ্যে অৱৰোধকাৰীসকলক সন্ধিয়া মুকলি কৰি দিয়া হয়। ইপিনে, কালি পুৱা নিউ বঙাইগাঁৱৰ নিকটৱৰ্তী গোসাঁইপাৰাৰ পৰা গ্ৰেপ্তাৰ কৰা ১৩০ জন ৰেলপথ অৱৰোধকাৰীক কালি নিশাৰ ভাগত মুকলি কৰি দিয়া হয় বুলি জানিব পৰা গৈছে।

### পাঠশালাত ৰাইজে লৈছে সংগ্ৰামৰ পাঠ

পাঠশালা অঞ্চলত ৰেল অৱৰোধকালত আজি কোনো অপ্ৰীতিকৰ ঘটনা সংঘটিত হোৱা নাই যদিও কালিৰ ঘটনাক লৈ উত্তেজনা অব্যাহত আছে। পুলিচৰ লাঠিচালনাত গুৰুতৰভাৱে আহত লোক এজনৰ বৰ্তমানেও কোনো সন্ধান পোৱা নাই বুলি জানিব পৰাগৈছে। কালি পুলিচ, চিআৰপিএফৰ অত্যাচাৰত ছেদেলি-ভেদেলি হৈ যোৱা প্ৰতিবাদীসকলে আজি ৰেলপথ অৱৰোধ কৰাৰ পৰিৱৰ্তে আহতসকলৰ সেৱাত ব্যস্ত থকাদেখা



গৈছে। আনহাতে, কটকটীয়া নিৰাপত্তাৰ মাজত আজিৰ ৰেল সেৱা অব্যাহত আছে যদিও কালিৰ অত্যাচাৰৰ প্ৰতিবাদত আজি জালাহ, সাদেৰী, নিত্যানন্দ আদি অঞ্চলৰ বহু ঠাইত বন্ধ পালন কৰা হয়। আজি পাঠশালা ব্যৱসায়ী সন্থাই আহ্বান জনোৱা ১২ ঘণ্টীয়া পাঠশালা বন্ধ শান্তিপূৰ্ণভাৱে পাৰ হয়। পাঠশালা চহৰৰ ওচৰৰ মুণ্ডৰীয়াৰ প্ৰাথমিক বিদ্যালয়ত এখন প্ৰতিবাদী সভা পাতি পুলিচ, চিআৰপিৰ অত্যাচাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ জনোৱা হয়। সভাত কেন্দ্ৰীয় সমিতিৰ হৰেশ্বৰ বৰ্মণ উপস্থিত থাকি প্ৰতিবাদী সভাত ভাগ লোৱাৰ বাবে সমিতিৰ কেন্দ্ৰীয় নেতৃবৃন্দৰ লগত আলোচনা কৰি অতিশীঘ্ৰে পৰৱৰ্তী আন্দোলনৰ কাৰ্যসূচী হাতত লোৱা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে।

## বজালী বন্ধ পালন

বজালী জিলা সমন্বয়ৰক্ষী সমিতিয়ে ৭ অক্টোবৰত সংগ্ৰামী জনতাৰ ওপৰত পুলিচ বাহিনীয়ে চলোৱা বৰ্বৰ নিৰ্যতনৰ প্ৰতিবাদত ১০ অক্টোবৰত বজালী মহকুমা পুৱা ৬ বজাৰ পৰা আবেলি ৪ বজালৈ বন্ধ পালন কৰা হয়।

## আক্ৰাছু, আছা, আৰ্মকাৰ গৰিহণা

ৰাজ্য চৰকাৰৰ এই দমন নীতিক তীব্ৰ গৰিহণা দি কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ উপদেষ্টা নিৰ্মল কুমাৰ ৰায় আৰু সভাপতি বিশ্বজিৎ ৰায়ে এক বিবৃতিত কয় যে গণতান্ত্ৰিক প্ৰমূল্যবোধক ন্যূনতমো সম্মান নকৰি ল'ৰা-তিৰোতা, ডেকা-বৃদ্ধ সকলোকে কন্দুৰা গেছ প্ৰয়োগ, লাঠিচালনা কৰা কাৰ্যই চৰকাৰৰ স্বৈৰাচাৰী মনোভাৱৰহে প্ৰতিফলন ঘটাইছে।

আনহাতে আদিবাসী ছাত্ৰ সন্থায়ো চৰকাৰৰ এই অত্যাচাৰক তীব্ৰ গৰিহণা দি এই কাৰ্য সম্পূৰ্ণ অগণতান্ত্ৰিক আৰু স্বেচ্ছাচাৰী বুলি অভিহিত কৰে। এনে দমননীতিয়ে আমাৰ আন্দোল বন্ধ কৰিব নোৱাৰে, বৰঞ্চ বিটিচিৰ বিৰুদ্ধে সংগ্ৰাম অধিক তীব্ৰতৰ হ'ব' - আদিবাসী ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক ডেভিদ হৰ'ৱে কয়। আৰ্মকাৰ সাধাৰণ সম্পাদক মুকুট সিংহ চুতীয়ায়ো চৰকাৰৰ এনে দমন নীতিক তীব্ৰ গৰিহণা দি কয়যে এনে কাৰ্যই চৰকাৰৰ আচল চৰিত্ৰ নগ্নভাৱে প্ৰতিফলিত কৰিছে। নাৰী মুক্তি সন্থায়ো চৰকাৰৰ এনে কাৰ্যক তীব্ৰ গৰিহণা দিয়ে। ✪

# শ্ৰীৰামপুৰত লাঠিচালনা ঃ শতাধিক আহত

৭ অক্টোবৰ ঃ শ্ৰীৰামপুৰত আন্দোলনকাৰীসকলৰ ওপৰত আজি আৰক্ষীয়ে লাঠিচালনা কৰাৰ উপৰি কন্দুৰা গেছ প্ৰয়োগ কৰাত শতাধিক আন্দোলনকাৰী আহত হয়। তদুপৰি আৰক্ষীয়ে আৰ্মকাৰ সাংগঠনিক সম্পাদক ৰহেন্দ্ৰ ৰাভ আৰু আছাৰ আগশাৰীৰ নেতা নিৰ্মল টুডুকে ধৰি তিনিজনক গ্ৰেপ্তাৰ কৰে। আজি পুৱাৰে পৰা আদিবাসী ছাত্ৰ সন্থা, ঝাড়খণ্ডী সংগ্ৰাম পৰিষদ আৰু আৰ্মকাৰ প্ৰায় দহ সহস্ৰাধিক কৰ্মীয়ে শ্ৰীৰামপুৰ ৰেল ষ্টেচন অৱৰোধ কৰে। আন্দোলনকাৰীসকলে শান্তিপূৰ্ণভাৱেই আন্দোলনৰ কাৰ্যসূচী পালন কৰি থকাৰ সময়তে দুপৰীয়া প্ৰায় ১২-৪৫বজাত কোকৰাঝাৰ প্ৰশাসনৰ নিৰ্দেশত আৰক্ষীয়ে অৱস্থানৰত আন্দোলনকাৰীসকলৰ ওপৰত হঠাতে লাঠিচালনা কৰে। লাঠিচালনা কৰাৰ উপৰি আন্দোলনকাৰীসকলক ছত্ৰভংগ দিয়াবলৈ আৰক্ষীয়ে ২০ ৰাউণ্ড কন্দুৰা গেছো প্ৰয়োগ কৰাত শতাধিক আন্দোলনকাৰী আহত হয়। জানিব পৰা মতে আৰক্ষীৰ লাঠিচালনাত সৃষ্টি হোৱা হুলস্থুলীয়া আৰু বিশৃংখল পৰিস্থিতিৰ বাবেও বহু আন্দোলনকাৰী আহত হয়। আহতসকলৰ মাজৰ কেইবাজনৰো আঘাত গুৰুতৰ। ইফালে শ্ৰীৰামপুৰত কোনো চৰকাৰী চিকিৎসালয় নথকাত স্থানীয় ব্যক্তিগত ফাৰ্মাচিতে চিকিৎসা ল'বলগীয়া হয় আহতসকলে।

ইপিনে মহিলা আৰক্ষী নোহোৱাকৈ আন্দোলনকাৰী মহিলাসকলক চিআৰপিএফ জোৱানে টানি-আঁজুৰি গোসাইগাঁও থানালৈ লৈ যোৱাৰ অভিযোগ উঠিছে। আৰক্ষীৰ আজিৰ এই আচৰণক সম্মিলিত জনগোষ্ঠীয় সংগ্ৰাম সমিতিৰ উপ-মুখ্য আহ্বায়ক ব্ৰজেন মহন্ত আৰু আছাই শ্ৰীৰামপুৰৰ পৰা দিয়া এক বিবৃতিত গৰিহণা দিছে। আনহাতে গুৱাহাটীত জাৰি কৰা আন এক বিবৃতিত আৰ্মকাৰ সাধাৰণ সম্পাদক মুকুট সিংহ চুতীয়াই ৰেল অৱৰোধৰ প্ৰথম দিনাৰ ঘটা এই অত্যাচাৰক কংগ্ৰেছ(ই)ৰ আদিবাসী বিৰোধী, বিটিচি পন্থী ৰাজনীতিৰ পৰিচায়ক আখ্যা দি গৰিহণা দিছে।✪

# বিটিচিৰ বিৰুদ্ধে অনুসূচীকৰণৰ পক্ষে আদিবাসী সমাৰেশ

(প্ৰতিবেদক ঃ বিষ্ণুৰাভ শৰ্মা)

যোৱা ১ অক্টোবৰত ঝাড়খণ্ডী আদিবাসী সংগ্ৰাম পৰিষদৰ সমাৰেশৰ পাছত একে দাবীৰে ২ অক্টোবৰত গুৱাহাটীৰ সোণাৰাম খেলপথাৰত এক বিশাল বিটিচি বিৰোধী সমাৰেশ অনুষ্ঠিত হয়। 'বিটিচি মুৰ্দাবাদ, তেজ দিম, কিন্তু বিটিচি হ'বলৈ নিদিওঁ, এল কে আদৱানি মুৰ্দাবাদ, মুখ্যমন্ত্ৰী তৰুণগগৈ মুৰ্দাবাদ আদি ধ্বনিৰে গুৱাহাটীৰ আকাশ-বতাহ ৰজনজনাই অনুষ্ঠিত হোৱা এই আদিবাসী গণ-সমাৰেশত প্ৰায় বিশহাজাৰ মানুহ গোট খায়। সমাৰেশৰ আয়োজন কৰিছিল 'সদৌ আদিবাসী ছাত্ৰ সন্থা'ই (আছা)। অথচ মাত্ৰ কেইমাহমান আগতে বড়ো নেতৃত্বই আয়োজন কৰা সমাৰেশত মাত্ৰ ৫ হাজাৰ মানুহহে গোট খাইছিল। হাজাৰ হাজাৰ বিক্ষুব্ধ আদিবাসী জনতাই ধনুকাঁড় প্ৰদৰ্শন কৰি ৰুদ্ৰকণ্ঠে সমবেত স্বৰত কয় - 'আমি ধনু হাতত লৈছোঁ, কিন্তু কাঁড় এৰিলে ৰক্ষা নাই।' উল্লেখযোগ্য যে আদিবাসীসকলে এই সমাৰেশতে অনুসূচীকৰণৰ দাবী তোলে।✪

শতবৰ্ষৰ শ্ৰদ্ধাৰ্ঘ্য

# সমন্বয়ৰ প্ৰতীক ভীমবৰ দেউৰী

❑ কুমাৰ সৌৰভ কুম'তা



কুৰি শতিকাত বৃহৎ অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়াত যিসকলে প্ৰভূত অৰিহণা যোগালে সেই সকলৰ ভিতৰত প্ৰাক্তন মন্ত্ৰী ভীমবৰ দেউৰীৰ নামটো বাদ দিলে অন্যায় কৰা হ'ব। দেউৰীৰ বৃহৎ অসম গঢ়াৰ মূলগত লক্ষ্য আৰু উদ্দেশ্য তেওঁৰ সমসাময়িক নেতাসকলৰ লগত একে আছিল। কিন্তু জীৱন দৰ্শন আৰু কৰ্ম পদ্ধতি সুকীয়া আছিল। তেওঁ দেউৰী সম্প্ৰদায়ত জন্ম গ্ৰহণ কৰি কেৱল দেউৰী ভাই-ভনীসকলৰ উন্নয়নৰ বাবে চেষ্টা কৰা নাছিল। তেওঁ সমগ্ৰ অসমৰ জনজাতি অন্যান্য পিছপৰা শ্ৰেণী, দৰিদ্ৰ শ্ৰেণীৰ কল্যাণ কামনা কৰিছিল। তেওঁ কৈছিল- 'মোৰ জীৱনৰ উদ্দেশ্য সুকীয়া, ইংৰাজী পঢ়ি চাকৰি কৰা নহয়। মোৰ জাতিৰ ওপজা ঠাইৰ গাঁৱলীয়া খেতিয়ক সম্প্ৰ দায় আৰু সমগ্ৰ অসমৰ উন্নতি সাধন কৰাহে।'

শিৱসাগৰ জিলাৰ পানীদিহিং অঞ্চলৰ এটি কৃষক পৰিয়ালত ভীমবৰৰ জন্ম হয় ১৯০৩ চনত। জনজাতি পৰিয়ালত জন্ম গ্ৰহণ কৰাৰ বাবেই ভীমবৰে মুখামুখি হ'ব লগা হৈছিল জাতি বৰ্ণৰ কু-প্ৰভাৱৰ লগত আৰু আহৰণ কৰিছিল বিচিত্ৰ অভিজ্ঞতা। এনট্ৰেঞ্চ পৰীক্ষাত পাঁচটা বিষয়ত লেটাৰ নম্বৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ ভীমবৰে কটন কলেজত আই, এ আৰু বি, এ পঢ়িবলৈ লয়। সেই সময়ত (১৯২৭ চনত) কটন কলেজৰ ছাত্ৰাবাসৰ অশৰণীয়া জনগোষ্ঠীবোৰক বৰ্ণহিন্দু ছাত্ৰ সকলে খোৱা মেলা কৰা 'প্ৰথম মেছ'ত ঠাই নিদি 'দ্বিতীয় মেছ'ত খোৱা মেলা কৰিবলৈ বাধ্য কৰিছিল। এনে অন্যায় ব্যৱস্থাৰ বিৰুদ্ধে ভীমবৰ আৰু অন্যান্য অশৰণীয়া ছাত্ৰ সকলে আন্দোলনত নামি পৰিছিল। ভীমবৰে তেতিয়াৰ পৰাই অসমৰ অনগ্ৰসৰ, পশ্চাদপদ জনগোষ্ঠীবোৰৰ উন্নতিৰ চিন্তা কৰিছিল।

বি,এ আৰু বি,এল পৰীক্ষাত উত্তীৰ্ণ হৈ ভীমবৰে ১৯৩২ চনত চাকৰিৰ সন্ধানত লোকসেৱা আয়োগৰ পৰীক্ষাত অৱতীৰ্ণ হয় আৰু প্ৰথম বিভাগত উত্তীৰ্ণ হয়। কিন্তু ভীমবৰ পিছপৰা জনজাতি সম্প্ৰ দায়ৰ লোক হোৱাৰ বাবেই তেতিয়াৰ অসমৰ গৱৰ্ণৰৰ উপদেষ্টা, বৰ্ণহিন্দুৰ প্ৰতিনিধি ৰায়বাহাদুৰ কনকলাল বৰুৱাই তেওঁক চাকৰিটো পোৱাৰ পৰা বঞ্চিত কৰে। পৰীক্ষাত প্ৰথম হৈয়ো চাকৰিৰ পৰা বঞ্চিত হোৱাত ভীমবৰ আহত হয়। আৰু চৰকাৰী চাকৰি নকৰোঁ বুলি দৃঢ় প্ৰতিজ্ঞ হৈ ডিব্ৰুগড় আদালতত স্বাধীনচিতীয়াকৈ ওকালতি আৰম্ভ কৰে।

দেউৰীৰ দৰে অসমৰ এটি ক্ষুদ্ৰ জনজাতি সম্প্ৰ দায়ত জন্ম গ্ৰহণ কৰা বাবেই ভীমবৰে উপলব্ধি কৰিছিল যে অসমৰ ক্ষুদ্ৰ জাতি সত্তাসকল যেনে- বড়ো, মিচিং, ৰাভা, তিৱা, দেউৰী, কাৰ্বি, মৰাণ, মটক, ঝাড়খণ্ডী আদিবাসী (চাহজনগোষ্ঠী) আদি একেখন মঞ্চত ঐক্যবদ্ধভাৱে থিয় দিব পাৰিলেহে জনগোষ্ঠী সমূহৰ উন্নতি সম্ভৱ। এই উদ্দেশ্যেই তেওঁ ১৯৩৩ চনত বহাত অসমৰ সকলো জনগোষ্ঠীৰ এক সম্মিলন অনুষ্ঠিত কৰে আৰু তাতে Assam Backward Plains Tribal League গঠন কৰে। অসমৰ ভূমিপুত্ৰ জনজাতি সকলৰ আৰ্থসমাজিক উন্নতি সাধনেই আছিল লীগৰ প্ৰধান উদ্দেশ্য। ভীমবৰে এই লীগৰ সাধাৰণ সম্পাদক হিচাপে একেৰাহে তেৰ বছৰ কাৰ্য্যনিৰ্বাহ কৰিছিল। লীগৰ নেৰানেপেৰা দাবীৰ ফলতেই ১৯৩৫ চনত ভাৰত চৰকাৰে জনজাতি সকলৰ বাবে অসম বিধান সভাৰ ১০৮ খন আসনৰ পাঁচখন সংৰক্ষিত কৰিবলৈ সক্ষম হয়।

ব্ৰিটিছে স্বাধীনতা প্ৰদানৰ আগমুহূৰ্তত দেশ বিভাজন ঘটাই অসমখনক পূব পাকিস্থানত (বৰ্তমানৰ বাংলাদেশ) অন্তভূক্ত কৰিব বিচৰাৰ খবৰ পাই ট্ৰাইবেল লীগে দিল্লীত গৈ এনে সিদ্ধান্তৰ দুৰ্ধোৰ প্ৰতিবাদ জনাইছিল। ভীমবৰে জিন্নাৰ আগত যুক্তি দৰ্শাই কৈছিল - '' অসম দেশ ব্ৰিটিছ অহাৰ আগতে ভাৰতৰ ভিতৰুৱা নাছিল আৰু আগৰে পৰা স্বাধীন দেশ আছিল। মুছলমান সম্ৰাট সকলে ১৭ বাৰ অসম আক্ৰমণ কৰিও অসম দেশ অধিকাৰ কৰিব নোৱাৰিলে। অসমখন কোনো হিন্দু বা মুছলমানৰ নহয়, ই ট্ৰাইবেলসকলৰহে।'' ভীমবৰৰ যুক্তি খণ্ডন কৰিব নোৱাৰি জিন্নাই অসমক পাকিস্থানৰ অন্তভূক্ত কৰাৰ পৰিকল্পনা বাদ দিছিল। কিন্তু সেই সময়ত বৰ্ণহিন্দু নেতা সকলে ভীমবৰক দেশদ্ৰোহী, জাতিদ্ৰোহী, পাকিস্থানৰ এজেণ্ট আদি উপাধিৰে অলংকৃত কৰিছিল আৰু এইবোৰক প্ৰচাৰ কৰাত সহযোগ কৰিছিল সেই সময়ৰ বাতৰি কাকত সমূহে।

১৯৪৬ চনত ভীমবৰে বৰদলৈ মন্ত্ৰীসভালৈ সমৰ্থন আগবঢ়ায় আৰু তেওঁক বন আৰু শ্ৰম বিভাগৰ মন্ত্ৰী হিচাপে কংগ্ৰেছ মন্ত্ৰীসভাৰ সদস্য কৰা হয়। দুৰ্ভাগ্য বিষয় যে মন্ত্ৰী হিচাপে তেওঁ বেছিদিন কাৰ্য্যনিৰ্বাহ কৰিবলৈ নাপালে। যক্ষ্মা ৰোগত আক্ৰান্ত হোৱাত তেওঁক শ্বিলঙত কিছুদিন চিকিৎসা কৰাৰ পাছত মাদ্ৰাজলৈ নিয়া হয় আৰু ১৯৪৭ চনৰ ৩০ নবেম্বৰত এইজনা মহান নেতাই শেষ নিশ্বাস পেলায়।

ভীমবৰ আছিল সংহতি আৰু সমন্বয়ৰ প্ৰতীক। অসমৰ দৰে বহু জাতি, ধৰ্ম, ভাষা-ভাষী লোকক একতাৰ ডোলেৰে বান্ধিব পাৰিছিল তেওঁ। কেৱল বক্তৃতাৰ যোগেদি নহয়, সকলো জনগোষ্ঠীৰ সম অধিকাৰ আৰু মৰ্য্যদাৰ ভিত্তিত। আৰু তাৰ মাজেদিয়ে তেওঁ সপোন দেখিছিল এখন সমৃদ্ধিশালী অসমৰ।✪

দলিল

# বেদখল উচ্ছেদৰ তাণ্ডৱ !

(শ্ৰেণীসংগ্ৰামৰ বাবে উচ্ছেদ বিৰোধিতা কোনো হঠাৎ ওপজা হুজুগ নহয়, ই এক আজন্ম অনুশীলন। ২২ মে’ ১৯৮২ চনৰ পঞ্চম বছৰ ষষ্ঠ সংখ্যাৰ পৰা পুনৰমুদ্ৰিত এই লেখনীটোৱেও তাকেই প্ৰমাণ কৰে - সম্পাদক)

ফেচিবাদী শাসনৰ সুযোগ গ্ৰহণ কৰি চৰকাৰে ব্যাপক উচ্ছেদৰ আঁচনি লৈছে। ইতিমধ্যে বৰপেটা মহকুমাৰ ককলাবাৰী বনাঞ্চলত ২ মে’ৰ পৰা ১৮ মে’লৈ চলোৱা উচ্ছেদ অভিযানত দুজন বড়ো জনজাতীয় লোক পুলিচৰ গুলিত নিহত হৈছে। গাওঁৰ পিচত গাওঁ নিঃচিহ্ন কৰি দিছে। দৰঙ্গ বনাঞ্চলৰ বগাজুলী বিজাৰ্ভত ৭০০ টা পৰিয়ালৰ কুটিৰবোৰ হাতী লগাই ভাঙি দিছে বা জুই লগাই পুৰি পেলাইছে। ( ঘটনাৰ বিতং বিৱৰণ এই কাকতৰ অহা সংখ্যাত পঢ়িবলৈ পাব)

জনামতে এই উচ্ছেদিত লোক সকলৰ সৰহভাগেই বড়ো জনজাতিৰ। মাটিবাৰী হেকেৰাই বহুদিনৰ আগতে শিৱসাগৰ জিলাৰ শিৱসাগৰ নগাভূমি সীমান্তৱৰ্তী ঠাইবোৰত জঙ্গল ভাঙি বসবাস কৰিবলৈ লৈছিল। কিন্তু সাম্প্ৰতিক কালছোৱাত সেই সীমান্ত এলেকাত নগাৰ লগত সৃষ্টি হোৱা উত্তেজনাৰ পৰিস্থিতিৰ কাৰণে নিৰাপত্তাহীন লোক সকল পুনৰ সেই ঠাইৰ পৰা ঘূৰি আহি অনাই বনাই ঘূৰি ফুৰি এই বনাঞ্চলবোৰতে আশ্ৰয় লৈছিল। কিন্তু দিনচেৰেক নৌযাওঁতেই তেওঁলোকৰ ওপৰত নামি আহিছে উচ্ছেদৰ তাণ্ডৱলীলা। জনা যায় স্থানীয় প্ৰশাসনিক কৰ্তৃপক্ষই উচ্চ ন্যায়ালয়ৰ স্থিতাৱস্থা বজাই ৰখাৰ আদেশকো অমান্য কৰি এই উচ্ছেদ চলাইছে। আৰু কোনো কোনো ক্ষেত্ৰত কামৰূপ জিলাৰ উপায়ুক্ত মহোদয় স্বয়ং ইয়াৰ আদেশকৰ্তা।

গুৱাহাটী চহৰৰ পাণ্ডু এলেকাত ৩০-৪০ বছৰ ধৰি বসবাস কৰি থকা লোক, ঘৰবাৰীবিহীন ৰেল কৰ্মচাৰী আদিক ‘অকৰ্তৃত্বশীল’ মাটিৰ পৰা ব্যাপক হাৰত নিৰ্মমভাৱে উচ্ছেদ কৰিছে, যাৰ ফলত এই সকল লোকৰ বিশেষকৈ ক্ষুদ্ৰ দোকানদাৰ, ফেৰিৱালা, সৰু চাকৰিজীৱীৰ, পানীত হাঁহ নচৰা অৱস্থা হৈছে। ঠিক কথা, বিক্ষুব্ধ মানুহৰ যং ঘৃণা বদৰাত কৰৰাত বিস্ফাৰিত হৈছে, দুই এটা বিক্ষিপ্ত ঘটনাও ঘটিছে। গুৱাহাটীৰ শান্তিপুৰ, চান্দমাৰী, ভৰলুমুখ, খাৰঘুলি আদি ঠাইতো উচ্ছেদৰ নোটিচ দিয়া খুলি জানিব পৰা গৈছে। মাছখোৱা আদিতো উচ্ছেদ চলিছে।

কোনেও নকব যে এই আটাইবোৰ উচ্ছেদ অপ্ৰয়োজনীয়। কিন্তু এখন দেশৰ চৰকাৰৰ (সিও আকৌ গণতান্ত্ৰিক, জনকল্যাণকামী ইত্যাদি !) জনগণৰ প্ৰতি দায়িত্ব কি? উচ্ছেদিত লোকসকলক বিকল্প কোনো সংস্থাপনৰ ব্যৱস্থা দিয়া হৈছেনে? কোনো সংস্থাপনৰ ব্যৱস্থা কৰিব নোৱাৰা চৰকাৰ এটাৰ এনেদৰে নিৰ্বিচাৰ উচ্ছেদ চলোৱাৰ অধিকাৰ আছেনে? এইবোৰেই আজি বাহিজৰ মনত প্ৰশ্ন আৰু এইবোৰ প্ৰশ্নই নিশ্চয় বাহিজক অত্যাচাৰী অপশাসনৰ বিৰুদ্ধে প্ৰতিৰোধৰ মাজলৈ টানি নিব।

ধাৰণা হৈছে এই উচ্ছেদ অভিযান যোৱা ইমাৰ্জেন্সিৰ লেখীয়া ফেচিবাদী-মগ্ন আতংকবাদী শাসনৰেই অঙ্গ। একালে ‘কুৰিদফা’ৰ দৰে ডাঙ্কোপ মৰা প্ৰতিশ্ৰুতি, অন্যফালে জঘন্যতম নিপীড়ন-এয়াইতো ফেচিবাদী শাসনৰ অতি প্ৰয়োজনীয় কথা।

সদৌ অসম খেতিয়ক সন্থাৰ ৰাজ্যিক কমিটিয়ে বাতৰি কাকতলৈ পঠোৱা এটা বিবৃতিত এই উচ্ছেদৰ নিন্দা কৰি দাবী কৰিছে- বিকল্প সংস্থাপন অবিহনে উচ্ছেদ বন্ধ, উচ্ছেদিত লোকসকলক ক্ষতিপূৰণ দান আৰু পুনঃ সংস্থাপন, আৰু ককলাবাৰী বনাঞ্চলৰ হত্যাকাণ্ডৰ ন্যায়িক তদন্ত।

আচৰিত কথা ইতিমধ্যে প্ৰকাশিত হোৱা কাকতবোৰত এই বিবৃতি প্ৰচাৰ কৰা হোৱা নাই। ✪

## নামৰূপ থাৰ্মেলত বিদ্যুৎ শ্ৰমিকৰ দ্বাৰা শক্তি অধ্যক্ষ ঘেৰাও

(প্ৰতিবেদক ঃ ফিলিপ ওৰাওঁ আৰু ৰামবচন সিং)

বিজুলীবিভাগৰ শ্ৰমিক-কৰ্মচাৰীসকলৰ বাঢ়ি অহা ক্ষোভৰ প্ৰমাণ আৰু উমান দিয়ে নামৰূপত সংঘটিত ঘটনাই। অলপতে নামৰূপ তাপবিদ্যুৎ প্ৰকল্প (N.T.P.P.)ৰ দৰ্মহা বন্ধৰ প্ৰতিবাদত ক্ষুব্ধ শ্ৰমিক-কৰ্মচাৰীয়ে জ্যেষ্ঠ শক্তি অধ্যক্ষক ঘেৰাও কৰে আৰু তেওঁৰ কাৰ্যালয়ৰ সমুখত বিক্ষোভ সমাৱেশ সংগঠিত কৰে। ১২.১৫ বজাত আৰম্ভ হোৱা এই ঘেৰাও-বিক্ষোভ বিয়লি ৪.০০ বজালৈকে বাহাল থাকে। বিক্ষুব্ধ শ্ৰমিকসকলে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ অধ্যক্ষৰ প্ৰতিমূৰ্তিও দাহ কৰে। ফলত সেইদিনাই বন্ধ হৈ থকা দৰ্মহা মুকলি কৰিবলৈ কৰ্তৃপক্ষ বাধ্য হয়। উল্লেখযোগ্য যে এই সকলোখিনি কৰা হয় ‘আচাম ষ্টেট পাৱাৰ ৱৰ্কাৰ্চ ইউনিয়ন’ৰ বেনাৰত। ✪

## বিজ্ঞান সমিতিৰ স্বাস্থ্য শিবিৰ

(প্ৰতিবেদক ঃ কৃষ্ণকান্ত গগৈ)

অসম বিজ্ঞান সমিতিৰ সাপেখাতী শাখা আৰু সাপেখাতী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ যুটীয়া উদ্যোগত যোৱা ২২।৮।০২ তাৰিখে সাপেখাতী মৌজাৰ অন্তৰ্গত বাৰেগাঁও প্ৰাথমিক বিদ্যালয়ত স্বাস্থ্য সজাগতাৰ বাবে এটি প্ৰশিক্ষণমূলক শিবিৰ অনুষ্ঠিত হয়। এই উদ্দেশ্যে হোৱা শিবিৰটো পৰিচালনা কৰে অৱসৰপ্ৰাপ্ত অধ্যক্ষ জিতেন্দ্ৰ নাথ বৰুৱাদেৱে। ডাঃ ধ্ৰুৱলোচন নাথ, ডাঃ জাহিদ হুচেইন, শিশু আৰু মাতৃ কল্যাণ বিষয়া অমিয়া গগৈ, বিজ্ঞান সমিতিৰ সম্পাদক চন্দ্ৰ প্ৰধান, দ্বিজেন বৰুৱা আদিয়ে বৰ্তমান চলি থকা মেলেৰীয়া, এনকেফেলাইটিচ আদি বেমাৰৰ সম্পৰ্কত ল’ব লগা যাৱতীয় ব্যৱস্থা আৰু পৰিস্কাৰ-পৰিচ্ছন্নতাৰ ওপৰত বিশদভাৱে আলোচনা দাঙি ধৰে। উল্লেখযোগ্য যে, স্বাস্থ্য সজাগতাৰ বাবে উক্ত দুয়োটা অনুষ্ঠানে যুটীয়াভাৱে এনেধৰণৰ এলানি কাৰ্যসূচী চলাই যাবলৈ সিদ্ধান্ত লৈছে। ✪

সংগ্ৰাম সংবাদ

# জোৰদাৰ হৈছে টেঙানিৰ উচ্ছেদবিৰোধী সংগ্ৰাম

**(টেঙানিৰ পৰা ঘূৰি আহি সপোন বৰা)**



উচ্ছেদৰ বিৰুদ্ধে টেঙানিৰ কৃষকৰ সংগ্ৰাম

কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰে বনসংৰক্ষণৰ নামত যোৱা জুনমাহৰ পৰা টেঙানিবাসী ৰাইজৰ ঘৰ-দুৱাৰ ভাঙি জুই অলাই যি তাণ্ডৱ নৃত্য চলাই উচ্ছেদ চলাইছিল তাৰ বিৰুদ্ধে টেঙানিবাসী ৰাইজে এই কথা উপলব্ধি কৰিব পাৰিছিল যে ঐক্যবদ্ধ সংগ্ৰামেই একমাত্ৰ পথ। ১২ জুন তাৰিখে চৰকাৰী বাহিনীয়ে টেঙানিত উচ্ছেদ অভিযান চলাবলৈ আহোঁতে প্ৰায় তিনিশমান ৰাইজে গণতান্ত্ৰিক পদ্ধতিৰে খকন্দগুৰিত এক প্ৰতিৰোধ কৰিছিল আৰু প্ৰায় এক ঘণ্টামান জুৰি চৰকাৰী বাহিনীক আৱদ্ধ কৰি ৰাখিবলৈ সক্ষম হৈছিল। ৰাইজৰ বাধা আৰু কান্দোনৰ ভাষাক নেওচি চৰকাৰী বাহিনীয়ে অভিযান অব্যাহত ৰাখিছিল। এই কথা সুঁৱৰি গৌৰৱ অনুভৱ কৰোঁ যে টেঙানিত চলা এই উচ্ছেদৰ বিৰুদ্ধে যোৱা ১০ জুনত গোলাঘাটৰ উপায়ুক্তৰ সন্মুখত এক বিক্ষোভ কাৰ্যসূচী অনুষ্ঠিত হৈছিল। এই কাৰ্যসূচীৰ আয়োজন কৰিছিল সদৌ অসম খেতিয়ক সন্থা, কৃষক সভা আৰু উচ্ছেদিত নিৰ্যাতিত গণমঞ্চই যুটীয়াভাৱে। আনহাতে ১২ জুনৰ দিনা খকন্দগুৰিত উক্ত বীৰত্বপূৰ্ণ প্ৰতিৰোধত এই প্ৰতিবেদক (সপোন বৰা)ৰ উপৰিও আমাৰ সতীৰ্থ দিপু শইকীয়া, ভদ্ৰেশ্বৰ শইকীয়া আদি সক্ৰিয়ভাৱে উপস্থিত আছিল। টেঙানিবাসী ৰাইজে নিজৰ মাটিৰ অধিকাৰ ৰক্ষা কৰিবলৈ হ'লে যে ঐক্যবদ্ধ সংগ্ৰামেহে চৰকাৰৰ উচ্ছেদ কাৰ্যসূচী বন্ধ কৰিব পাৰিব সেই উপলব্ধিৰ পাছতে 'বৃহত্তৰ টেঙানি উন্নয়ন সংগ্ৰাম সমিতি' গঢ়ি প্ৰতিৰোধৰ সংগ্ৰামক তীব্ৰতৰ কৰি তোলে। যোৱা ৭আগষ্ট তাৰিখে বহু হেজাৰ মানুহে গোলাঘাট চহৰ কঁপাই তোলে আৰু সাময়িকভাৱে হ'লেও ৰাইজৰ সংগ্ৰামত উচ্ছেদ বন্ধৰ প্ৰতিশ্ৰুতি দিবলৈ বাধ্য হয়। ১০ চেপ্তেম্বৰ তাৰিখে জোৰ লৈ উচ্ছেদৰ বিৰুদ্ধে প্ৰায় পাঁচহেজাৰ ৰাইজে টেঙানি অঞ্চলত পৰিক্ৰমা কৰি ৰাইজক সজাগ কৰে। এইদৰে সংগ্ৰাম অব্যাহত থাকে।

যোৱা ৯।১০।০২ তাৰিখে 'বৃহত্তৰ টেঙানি উন্নয়ন সংগ্ৰাম সমিতি'ৰ এটা কাৰ্যালয় শুভ উদ্বোধন কৰা হয় খকন্দগুৰিত। সমিতিৰ সভাপতি ভোলাৰাম বৰাৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয় য'ত প্ৰায় চাৰি-পাঁচহেজাৰ মানুহ সমাৱেশিত হৈছিল। সভাত সমিতিৰ এখন প্ৰতিবেদন পাঠ কৰে সোণেশ্বৰ নৰহে। বিভিন্ন সাংস্কৃতিক দল - ঝুমুৰ, মিছিং বিহু, বিহু আৰু জ্যোতি-বিষ্ণুৰ গীত-মাতেৰে সভাখলী উথলি উঠে। উচ্ছেদ বিৰোধী সংগ্ৰামৰ গাঁৱৰ প্ৰতিনিধিসকলে নিজৰ নিজৰ বক্তব্যত চৰকাৰৰ বিৰুদ্ধে জোৰদাৰ সংগ্ৰামৰ যোগেদি নিজৰ অধিকাৰ প্ৰতিষ্ঠাৰ সপক্ষে মতামত আগবঢ়ায়। সমিতিৰ উপদেষ্টা অখিল গগৈয়ে কয় যে, চৰকাৰে পুনৰ উচ্ছেদ কাৰ্যসূচী হাতত ল'লে ৰাইজে ঐক্যবদ্ধ সংগ্ৰাম জোৰদাৰ কৰিব লাগিব আৰু উন্নয়নৰ নামত চৰকাৰী বিভাজনৰ প্ৰতিও সতৰ্ক থাকিব লাগিব। শ্ৰেণীসংগ্ৰামৰ প্ৰতিনিধি সপোন বৰাই টেঙানিবাসী ৰাইজৰ সংগ্ৰামী ইতিহাসৰ '৭৯চনৰ বীৰত্বপূৰ্ণ সংগ্ৰামৰ কথা সোঁৱৰাই দি বৰ্তমানৰ উচ্ছেদৰ বিৰুদ্ধে ঐক্যবদ্ধ সংগ্ৰাম গঢ়ি তোলাৰ আহ্বান জনায়। ✪


মাও-উত্তৰ মহাচীনত সমাজবাদৰ পতন আৰু পুঁজিবাদৰ পুনৰ উত্থানৰ ইতিহাসৰ উপন্যাসোপম চিত্ৰণ পঢ়ক।

উইলিয়াম হিণ্টনৰ The Great Reversal -অৰ কিশোৰী মোহন শৰ্মাই কৰা প্ৰাঞ্জল অসমীয়া অনুবাদ

**মহাপৰিবৰ্তন**

মূল্য ঃ ষাঠি টকা

# বিষয় টেঙানি

প্ৰতি, মাননীয় সম্পাদক 'শ্ৰেণীসংগ্ৰাম'

সংগ্ৰামী অভিবাদন গ্ৰহণ কৰিব। যোৱা জুলাই আৰু আগষ্ট মাহৰ 'শ্ৰেণীসংগ্ৰাম'ত বৃহত্তৰ টেঙানি অঞ্চলত উচ্ছেদৰ বিৰুদ্ধে হোৱা গণজাগৰণ সম্পৰ্কে আপোনালোকৰ প্ৰতিবেদনৰ বাবে ধন্যবাদ জনাইছোঁ।

কিন্তু এই সম্পৰ্কে আমাৰ কিছু ক'বলগীয়াও আছে। যোৱা ....... তাৰিখে হোৱা আমাৰ কাৰ্যনিৰ্বাহক সভাই বিস্তৃতভাৱে আলোচনা কৰাৰ পাছত তলৰ কথাকেইটি অৱগত কৰাৰ সিদ্ধান্ত কৰে।

ক) 'নামবৰক বচোৱাৰ বাবে উত্তম পথটি গ্ৰহণ কৰোঁ আহক।' শীৰ্ষক পত্ৰিকাখন আছিল 'বৃহত্তৰ টেঙানি উন্নয়ন সংগ্ৰাম সমিতি'ৰ অ'ফিচিয়েল প্ৰচাৰপত্ৰ। পিছে আপোনালোকে 'বিকল্প প্ৰস্তাৱ' শিতানত তাক সমিতিৰ দুজনমান বিষয়ববীয়াৰ নামতহে প্ৰকাশ কৰিলে। কি পৰিস্থিতিতনো এনে হ'বলৈ পালে?

খ) আটায়ে জানে যে - 'বৃহত্তৰ টেঙানি উন্নয়ন সংগ্ৰাম সমিতি' এটি সদ্যগঠিত অতি চালুকীয়া সংগঠন। এই সংগঠনত বিভিন্ন ৰাজনৈতিক দল-মতৰ ব্যক্তি জড়িত হৈ আছে। তাৰোপৰি বৰ্তমান টেঙানিৰ বাস্তৱ পৰিস্থিতি এনেকুৱা যে ইয়াত উচ্ছেদৰ বিৰুদ্ধে হোৱা জাগৰণৰ বহুতো নাস্ত স্বাৰ্থজড়িত মহলে অতিকে শংকিত হৈ বিভিন্ন ফন্দিৰে সংগ্ৰামখনিক দুৰ্বল কৰাৰ চেষ্টা কৰিছে। চৰকাৰৰ ভূমিকাৰ কথা নকওঁৱেই। তেনেস্থলত আমি যিকোনো মূল্যৰ বিনিময়ত সংগ্ৰাম সমিতিৰ বেনাৰত গোটখাই থাকিব নোৱাৰিলে অচিৰেই ভয়াবহ দুৰ্যোগৰ দিন আহি যাব। সংগ্ৰাম সমিতি গঠন নোহোৱা পৰ্যন্ত টেঙানিৰ ৰাইজ যেনেদৰে ভাগ ভাগ হৈ আছিল আজি পুনৰ তেনে হৈ গ'লে ৰাইজৰ কি ভয়াবহ দিন আহিব পাৰে তাক নিশ্চয় কোৱাৰ প্ৰয়োজন নাই।

এনেকুৱা অৱস্থাত বৃহত্তৰ টেঙানি উন্নয়ন সংগ্ৰাম সমিতিয়ে আটাইতকৈ গুৰুত্ব দিছে ৰাজনৈতিক দল নিৰপেক্ষতাত। আমি ভাবোঁ, এই মুহূৰ্তত আমি এই মূল কথাটোত অলপো আপোচ কৰিলে টেঙানিবাসী পুনৰ আগৰ অৱস্থালৈ ঘূৰি যাব লাগিব। আমি টেঙানিবাসীৰ সমূহীয়া স্বাৰ্থত এইটো কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ।

আপোনাৰ আলোচনীৰ জৰিয়তে সংশ্লিষ্ট সকলোকে আমাৰ এই অৱস্থানত আঘাত নাশানিবলৈ বিনম্ৰ অনুৰোধ জনালোঁ আৰু শ্ৰেণীসংগ্ৰামত এই বিবৃতিটো প্ৰকাশ কৰিব।

আশাকৰোঁ টেঙানিত আৰম্ভ হোৱা সংগ্ৰামখনি শক্তিশালী কৰাত আপোনালোকৰ পৰা সহায়-সমৰ্থন পাই থাকিম।

পুনৰ সংগ্ৰামী অভিবাদনেৰে -

ভৱদীয়

ভোলাৰাম বৰা (সভাপতি), হেম ফুকন (কাঃসভাপতি), চন্দ্ৰ শইকীয়া আৰু সোণেশ্বৰ নৰহ (যুটীয়া সম্পাদক)। সাংগঠনিক সম্পাদক ঃ মনোজ তামুলী, ৰাতুল বৰা, নৰেন গোহাঁই। প্ৰচাৰ সম্পাদক ঃ প্ৰবীণ তামুলী, জয়া নাথ, বুলী শইকীয়া, নৃপেন দাস, ললিত গগৈ। ✪

(দ্ৰষ্টব্য ঃ দ্বিতীয় অনুচ্ছেদত ... থকা ঠাইত কোনো তাৰিখৰ উল্লেখ নাছিল। বানান বা ব্যাকৰণ শুধৰোৱা হোৱা নাই।)



প্ৰকৃতিপ্ৰেমীৰ প্ৰকৃতিপ্ৰেমৰ প্ৰকোপত চিপজৰী ল'লে উচ্ছেদিত কৃষকে

# টেঙানি বিতৰ্ক

❑ সপোন বৰা

টেঙানিৰ পৰা ঘূৰি আহি শ্ৰেণীসংগ্ৰাম কাৰ্যালয়ত উক্ত প্ৰতিবেদন জমা দিবলৈ লওঁতেই বৃহত্তৰ টেঙানি উন্নয়ন সংগ্ৰাম সমিতিয়ে দিয়া উক্ত চিঠিখন পঢ়িবলৈ পালোঁ। অৱশ্যে টেঙানিলৈ যোৱাৰ আগতেই চিঠিখনৰ বক্তব্যৰ বিষয়ে কাৰ্যালয়ৰ পৰা জানিবলৈ পাইছিলোঁ।

এইবাৰ মনোযোগেৰে শ্ৰেণীসংগ্ৰামৰ আগষ্ট সংখ্যাটো পুনৰ পঢ়িলোঁ। দেখিলোঁ, হয়, উক্ত চিঠিত লিখাৰ দৰেই 'নামবৰক বচোৱাৰ বাবে উত্তম পথটি গ্ৰহণ কৰোঁ আহক' শীৰ্ষক প্ৰচাৰ পত্ৰখন পুনৰমুদ্ৰণ কৰোঁতে এটা কাৰিকৰী ভুল হৈছে। প্ৰচাৰপত্ৰখনৰ তলত উক্ত সমিতিৰ হৈ ভোলাৰাম বৰা, অধ্যাপক হেমকান্ত ফুকন, সোণেশ্বৰ নৰহ, চন্দ্ৰ শইকীয়া আদিৰ নাম আছিল, শ্ৰেণীসংগ্ৰামত যেনিবা উক্ত নামকিটা ওপৰলৈ আহিল আৰু সমিতিৰ নামটো ওপৰতে লিখা নহ'ল। কিন্তু প্ৰচাৰপত্ৰখনৰ ভিতৰত (শ্ৰেণীসংগ্ৰাম, আগষ্ট সংখ্যা, পৃষ্ঠা ১১, অনুচ্ছেদ২) দেখোন স্পষ্টকৈ লিখাই আছে ঃ 'এনে অৱস্থাত আমি উপায়হীন হৈ টেঙানিবাসী ৰাইজৰ প্ৰতিনিধিত্বমূলক সংগঠন হিচাপে ৰাইজক কেইটিমান কথা বেকত কৰিব বিচাৰিছোঁ।'

ইয়াৰ পৰা প্ৰমাণিত হয় যে উক্ত বক্তব্যখিনি সংগঠনৰ বক্তব্য বুলিয়েই প্ৰকাশ কৰা হৈছিল, উক্ত চিঠিত দিয়াৰ দৰে

ব্যক্তিগত মতামত হিচাপে নহয়। তদুপৰি বৃহত্তৰ টেঙানি উন্নয়ন সংগ্ৰাম সমিতিৰ প্ৰচাৰপত্ৰখন শ্ৰেণীসংগ্ৰামত পুনৰমুদ্ৰিত কৰা সময়ত তাৰ এটা শব্দও ইফাল-সিফাল কৰা অথবা বাদ দিয়া হোৱা নাই। এই কথা আমি দৃঢ়ভাৱে ক'ব পাৰোঁ।

আগষ্ট সংখ্যা শ্ৰেণীসংগ্ৰামত উক্ত বক্তব্যটোৰ ঠিক পাছৰ পৃষ্ঠাতে তেতেলীতলৰ পৰা ঘূৰি আহি এই প্ৰতিবেদকে দাখিল কৰা প্ৰতিবেদনৰ প্ৰথম বাক্যটোৱেই আছিল 'বৃহত্তৰ টেঙানি উন্নয়ন সংগ্ৰাম সমিতিৰ আহ্বানত ৭আগষ্ট তাৰিখে প্ৰায় ১০হেজাৰ উচ্ছেদ বিৰোধী কৃষক ৰাইজে পদব্ৰজে ৰ'দ-বৰষুণক আওকাণ কৰি গোলাঘাটৰ উপায়ুক্তৰ কাৰ্যালয় ঘেৰাও অভিমুখে আহি থাকোঁতে নগৰৰ কাষতে তেতেলীতলত চৰকাৰৰ পুলিছ বাহিনীয়ে বিক্ষোভকাৰী ৰাইজক ভেটা দিয়ে..' এতেকে বৃহত্তৰ টেঙানি উন্নয়ন সংগ্ৰাম সমিতিৰ ভূমিকাক গুৰুত্ব নিদিয়াৰ প্ৰশ্নই নুঠে।

কেৱল আগষ্ট সংখ্যাতে নহয়, জুলাই সংখ্যাতো শ্ৰেণীসংগ্ৰামত এই বিষয়ত যি প্ৰতিবেদন প্ৰকাশ পাইছিল তাতো স্পষ্টকৈ কোৱা হৈছিল : '....... যোৱা ১৭ জুলাই তাৰিখে গোলাঘাট জিলাৰ টেঙানি অঞ্চলৰ খকন্দগুৰি এম.ই. স্কুলত এখন উচ্ছেদ বিৰোধী বিশাল জনসভা অনুষ্ঠিত হৈ যায়। সভাত সভাপতিত্ব কৰে বিশিষ্ট কৃষক নেতা হিমেন্দ্ৰ বৰুৱাই। ...... সভাত ৰাইজে সৰ্বসম্মতিক্ৰমে নিম্নোক্ত ব্যক্তিসকলক লৈ বৃহত্তৰ টেঙানি উচ্ছেদ বিৰোধী সংগ্ৰাম সমিতি এখন গঠন কৰে। ......... '

এই প্ৰতিটো প্ৰকাশনাৰ জৰিয়তে শ্ৰেণীসংগ্ৰামে ধাৰাবাহিকভাৱে টেঙানিৰ উচ্ছেদবিৰোধী সংগ্ৰামৰ সপক্ষে প্ৰচাৰ কৰি আহিছে। আমি গৌৰৱ অনুভৱ কৰোঁ যে এই সংগ্ৰামৰ সপক্ষে ধাৰাবাহিকভাৱে এনেকৈ কাম কৰা শ্ৰেণীসংগ্ৰাম অসমৰ একমাত্ৰ ক্ষুদ্ৰ আলোচনী।

কিন্তু শ্ৰেণীসংগ্ৰামৰ এই স্থিতি আকস্মিক নহয়। যোৱা ২৪-২৫ বছৰ জুৰি আমি এই একেই স্থিতিত অটল হৈ আছোঁ। তাৰ প্ৰমাণ হিচাপে আমি জুলাই সংখ্যা শ্ৰেণীসংগ্ৰামত ১৯৭৮চনৰ উচ্ছেদবিৰোধী এটি সম্পাদকীয় প্ৰকাশ কৰিছিলোঁ। এই সংখ্যা শ্ৰেণীসংগ্ৰামত আমি আজিৰ পৰা বিশবছৰ আগৰ ২২মে', ১৯৮২ তাৰিখৰ শ্ৰেণীসংগ্ৰামৰ আন এটি প্ৰতিবেদন পুনৰমুদ্ৰিত কৰিছোঁ।

এনেকৈয়ে, য'তেই অত্যাচাৰ ত'তেই প্ৰতিৰোধৰ নজিৰ সৃষ্টি কৰি শ্ৰেণীসংগ্ৰামৰ প্ৰতিনিধি তথা তাৰ সদৌ অসম খেতিয়ক সন্থা, আৰ্মকা আদি তাৰ ভাতৃসংগঠনৰ কৰ্মীসকলে যুঁজি আহিছে। যুঁজিছে উচ্ছেদৰ বিৰুদ্ধেও। ২৪বছৰ আগতে এই প্ৰতিবেদকৰ ভাতৃ শ্বহীদ সৌৰভ বৰাই যেনেকৈ টেঙানিৰ উচ্ছেদিত কৃষকৰ কাষত থিয় হৈছিলগৈ তিলেশ্বৰ গোহাঁই, নন্দ মেধি, টংকেশ্বৰ ৰাজখোৱা, ভদ্ৰেশ্বৰ শইকীয়া, হেমকান্ত ফুকন আদি আন সংগ্ৰামীসকলৰ লগত, তেনেকৈ আমিও সেই প্ৰতিবাদী পৰম্পৰা বজাই ৰাখিছোঁ আৰু বজাই ৰাখিবলৈ সংকল্পবদ্ধ। ১৯৭৯চনৰ উচ্ছেদ প্ৰতিৰোধৰ সাফল্যৰে আমি সংগ্ৰামী উত্তৰাধিকাৰী। আৰু এই উত্তৰাধিকাৰ আমি অৰ্জন কৰিছোঁ ৰক্তমূল্যত।

সেয়েহে বৃহত্তৰ টেঙানি উন্নয়ন সংগ্ৰাম সমিতিয়ে ঐক্যবদ্ধ সংগ্ৰামৰ যি আহ্বান জনাইছে, তাৰ লগত আমি ঐকমত পোষণ কৰোঁ। লগতে এইক্ষেত্ৰত আমাৰ স্থিতিও পৰিস্কাৰ কৰিব বিচাৰিছোঁ :

১। যুক্তমৰ্চা মানে কোনো এক বিশেষ প্ৰশ্ন / দাবীত বিভিন্ন শক্তিৰ সমাৱেশ। কিন্তু এই মৰ্চাত ঐক্য যেনেকৈ থাকিব, সংগ্ৰামো তেনেকৈ থাকিব। যুক্তমৰ্চাৰ নামত নিজা সংগঠনৰ অস্তিত্ব বিসৰ্জন দিয়া সম্ভৱ নহয়। যিকিজনে আমাৰ সংগঠনকে বিলোপ কৰি পেলাব লাগে বুলি দাবী তুলিছে তেওঁলোকে সেইটো বুজা ভাল।

২। যিকিজনে দাবী তুলিছে ২৫ বছৰ জুৰি টেঙানিত চলি থকা শ্ৰেণীসংগ্ৰামৰ প্ৰচলন বন্ধ কৰিবলৈ, তেওঁলোকক জনাই দিওঁ যে এয়া বিশুদ্ধ ফেচিবাদ আৰু আমি কোনো কাৰণতে এনে অগণতান্ত্ৰিক দাবীৰ ওচৰত শিৰ নত নকৰোঁ।

৩। 'ৰাজনীতি-নিৰপেক্ষতা' বা 'ৰাজনৈতিক দল নিৰপেক্ষতা'ৰ শ্লোগান বহুসময়ত চালাক ৰাজনৈতিক ব্যক্তিয়েও দিয়া দেখা যায়।

৪। বিপ্লৱী দলৰ বিৰোধিতা কৰা ব্যক্তিগত-বিপ্লৱীৰ দম্ভালি তথা একনায়কত্ববাদী দপ্‌দপনিয়ে ঐক্যবদ্ধ সংগ্ৰাম ধ্বংস কৰাৰ আশংকা প্ৰৱল। ✪

## অনন্য লেনিন

১৯১২ চনৰ মে মাহৰ ৫ তাৰিখে শ্ৰমিকসকলৰ দৈনিক কাকত প্ৰাভদা(সত্য) প্ৰকাশ পাইছিল। ই আছিল ৰুছ চচিয়েল ডেম'ক্ৰেটিক লেবাৰ পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ সৰ্বকনিষ্ঠ মুখপত্ৰ। বাতৰি কাকতখন প্ৰকাশৰ কাৰণে প্ৰয়োজনীয় ধন শ্ৰমিক সকলে সংগ্ৰহ কৰিছিল। তেওঁলোকৰ সহায় অবিহনে ই পুলিচৰ দমননীতিৰ কাৰণে বেছিদিন নিটিকিলহেঁতেন : প্ৰাভদাৰ ওপৰত নিয়মিত ভাৱে জৰিমনা লগোৱা হৈছিল; ইয়াৰ সম্পাদক সকলৰ বিৰুদ্ধে দুবছৰতকৈ অলপ বেছিদিনৰ ভিতৰত ৩৬টা গোচৰ আদালতত তৰা হৈছিল আৰু এওঁলোকে মুঠতে সাতচল্লিছ মাহ জেলত কটাব লগা হৈছিল। সেই কালছোৱাৰ ভিতৰতে চৰকাৰে কাকতখনৰ ওপৰত আঠবাৰ নিষেধাজ্ঞা জাৰি কৰিছিল, কিন্তু বিভিন্ন নামত জা প্ৰাভদু (সত্যৰ কাৰণে) ৰাবোচায়া প্ৰাভদা (শ্ৰমিকসকলৰ সত্য) প্ৰলিতাৰস্কায়া প্ৰাভদা (প্ৰলিতেৰিয় সত্য) আৰু অন্যান্য নামত ইয়াৰ প্ৰকাশ অব্যাহত আছিল। প্ৰাভদাৰ ৬৩৬ টা সংখ্যাৰ ভিতৰত ৪১ টা সংখ্যা বাজেয়াপ্ত কৰা হৈছিল। কাকতখনৰ প্ৰকাশ তথাপিও অব্যাহত থকাটোৱে প্ৰমাণ দিয়ে লেনিন আৰু তেওঁৰ নেতৃত্বাধীন ৰুচ সৰ্বহাৰাৰ লৌহ কঠিন কৰ্তব্যনিষ্ঠা আৰু ক্ষুৰধাৰ সচেতনতাৰ। ✪

সংগ্ৰাম সংবাদ

# বোনাচ আপোনাৰ ন্যায্য প্ৰাপ্য - কাৰো পৰা দয়া ভিক্ষা নহয়!
# বাগিছা শ্ৰমিক সন্থা আৰু ঝাড়খণ্ডী আদিবাসী সংগ্ৰাম পৰিষদৰ আহ্বান

শ্ৰদ্ধেয় ৰাইজ,

চাহ উৎপাদনৰ সৈতে জড়িত লাখ লাখ শ্ৰমিক আৰু ক্ষুদ্ৰ চাহ খেতিয়কৰ সমস্যাৰ বিষয়ে এই গোহাৰি যোগে আপোনালোকৰ মনোযোগ আকৰ্ষণ কৰিব খুজিছোঁ এই আশাৰে যে উদ্যোগটোৰ সৈতে জড়িত শ্ৰমিকসকল, ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ লগতে এই উদ্যোগৰ সৈতে নানাভাৱে জড়িত সকলো স্তৰৰ গণতান্ত্ৰিক ৰাইজে সমস্যাসমূহৰ মোকাবিলা কৰিবলৈ মালিকপক্ষ আৰু চৰকাৰৰ ওপৰত প্ৰবল হেঁচা প্ৰয়োগ কৰিবলৈ মাৰ বান্ধি ওলাই আহিব। নহ'লে যে আমাৰ গোটেই সমাজ জীৱনত এক ভয়াবহ দুৰ্যোগে আৱৰি পেলাব।

পূজাৰ আগে আগে চাহ-শ্ৰমিকসকলক বছৰেকীয়া মুঠ দৰমহাৰ বিশ (২০) শতাংশ হিচাপত বোনাচ দিয়া হৈ আহিছিল যদিও যোৱা বছৰৰ পৰা মালিকপক্ষই এই বোনাচ দিয়া প্ৰশ্নত খেলিমেলি লগাই আহিছে। যোৱাবছৰ ক'ৰবাত ৮% ক'ৰবাত ১২% বোনাচহে দিছিল। কোনো কোনো বাগানে পূজাত এক কিস্তি আৰু ফাগুৱাত এক কিস্তি হিচাপত বোনাচ দিব বুলি প্ৰতিশ্ৰুতি দি পূজাৰ সময়ত বোনাচক কেন্দ্ৰ কৰি হোৱা উত্তেজনা শাম কটাইছিল যদিও মূৰকত ফাগুৱাত দ্বিতীয় কিস্তি দিবলৈ অস্বীকাৰ কৰা কথাষাৰ শ্ৰমিকসকলৰ মনৰ পৰা এতিয়াও মচ খাবৰ হোৱা নাই।মালিক মেনেজাৰসকলে আন্দোলনকাৰী শ্ৰমিকক নিজে দিয়া প্ৰতিশ্ৰুতি শ্ৰমিকে ভাবুকিৰে আদায় কৰা অন্যায় প্ৰতিশ্ৰুতি বুলি নিজ প্ৰতিশ্ৰুতি কিভাৱে ভংগ কৰিছিল সেই কথাও শ্ৰমিকৰ মনত সজীৱ হৈ আছে। সেয়ে এইবাৰো যে মালিক পক্ষই বোনাচ নিদিবলৈ পাং পাতিছে, এইবাৰ বোনাচ দিব পৰা নাযাব বুলি ঘুনুক-ঘানাককৈ বজাৰত এৰি দিছেই। এইবোৰ কথাই শ্ৰমিকসকলৰ মনৰ অসন্তোষ বঢ়াব লাগিছে। বোনাচ দিব নোৱৰাৰ কথাষাৰ যাতে শ্ৰমিকসকলে সহজতে মানি লয় তাৰ বাবে মালিকপক্ষই তেওঁলোকৰ দালাল, বুদ্ধিজীৱী, ৰাজনৈতিক নেতা, ইউনিয়ন নেতাৰ দ্বাৰাই এক সংগঠিত সু-চতুৰ প্ৰচাৰ কাৰ্য চলাই আহিছে দীৰ্ঘদিনৰ পৰাই। তেওঁলোকে কৈ আছে যে চাহৰ বজাৰ ভাল নহয়, অৰ্থাৎ চাহ বিক্ৰী কৰিব পৰা নাই, চাহ উৎপাদনৰ খৰচ বাঢ়ি গৈছে ইত্যাদি ইত্যাদি।

শ্ৰদ্ধেয় ৰাইজ, এইবোৰ কথাৰ সঁচাকৈ জানো মূল্য আছে? চাহ উদ্যোগৰে হৰ্তা-কৰ্তা কিছুমানৰ কথাই দেখোন ইয়াক মিছা বুলি প্ৰমাণ কৰে। ভাৰতীয় সন্থা (আই.টি.এ.)ৰ অধ্যক্ষ হৈ থকাৰ সময়তে আৰ এছ জালান চাহাবে 'ইক'নমিক টাইমচ' নামৰ কাকতখনত ২৩।৬।২০০১ তাৰিখে লিখিছিল যে আগৰ বছৰৰ অৰ্থাৎ ২০০০ চনৰ ১৯০ নিযুত কেজিৰ তুলনাত ২০০১ চনত ২০৫ নিযুত কেজি বেছি চাহ বিদেশৰ বজাৰলৈ পঠাব পৰা হৈছিল। চাহ উদ্যোগত সংকট বোলা কথাষাৰ উৰা বাতৰিহে বুলি তেওঁ তাত কাণ নিদিবলৈ কৈছিল। তাৰ মানে চাহ উদ্যোগৰ সংকটৰ বিষয়ে বেছি বেছিকৈ কৰা প্ৰচাৰৰ আচল উদ্দেশ্য হ'ল শ্ৰমিকসকলক বোনাচ নিদিবৰ, ৰেচন বন্ধ কৰিবৰ, একে পৰিমাণৰ হাজিৰাতে কামৰ নিৰিখ বঢ়াবৰ বাবে মালিকপক্ষৰ চক্ৰান্ত হাচিল কৰা। এনে প্ৰচাৰেৰে জানো বৃহৎ চাহ মালিক গোষ্ঠী আৰু ফেক্টৰী মালিকসকলে বহু হাজাৰ ক্ষুদ্ৰ চাহ খেতিয়কৰ কেঁচা চাহ পাতৰ দাম খেয়াল-খুচিমতে কমাই ৰখাৰ ষড়যন্ত্ৰ কৰা নাই? চাহ উদ্যোগৰ সংকট সংকট বুলি চিঞৰি মালিকপক্ষই তেওঁলোকৰ বহুতীয়াৰূপে কাম কৰা চৰকাৰৰ পৰা বহুতো কৰ ৰেহাই আদায় কৰি আহিছে। চাহ উদ্যোগো সাধাৰণ খেতিবাতিৰ দৰেই বুলি দেখুৱাই ইয়াৰ লাভৰ ৬০শতাংশ কৰ মুক্ত কৰি দিয়াৰ পাছতো পুনৰ বিকাশ ভাত্তা আগৰ কুৰি শতাংশৰ ঠাইত ৪০শতাংশলৈ বৃদ্ধি কৰি চাহৰ বিৰাট মুনাফাক প্ৰায় কৰ মুক্ত কৰি দিছে চৰকাৰে। চাহ সংকটৰ মিছা কাহিনীবোৰ প্ৰচাৰ কৰি থাকোঁতে মালিক পক্ষই সদায়েই মজুৰি বৃদ্ধিৰ কাৰণে উৎপাদন খৰচ বঢ়াৰ কথা কৈ থাকে। অথচ চাহৰ দৰে বিৰাট লাভজনক উদ্যোগৰ শ্ৰমিকৰ মজুৰি সৌ সিদিনালৈকে ব্ৰহ্মপুত্ৰ উপত্যকাত আছিল ৪৩.৫০ টকা আৰু বৰাক উপত্যকাত আছিল ৩৪.৫০ টকা। এতিয়া ব্ৰহ্মপুত্ৰ উপত্যকাত ৪৮.৫০ টকালৈ বৃদ্ধি কৰা হৈছে যদিও বহু বাগানৰ কৰ্তৃপক্ষই এই বৰ্ধিত পৰিমাণৰ মজুৰি দিব পৰা নাযাব বুলি ক'বলৈ আৰম্ভ কৰিছে। (এই বৰ্ধিত হাৰৰ মজুৰি দিব পৰা নাযাব বুলি ভাৰতীয় চাহ সন্থাই জনাইছে বুলি বাতৰিত প্ৰকাশ) চাহৰ দৰে বিৰাট মুনাফাকাৰী উদ্যোগৰ শ্ৰমিক এজনেও চোন প্ৰায় কোনো মুনাফা নোহোৱা গাঁৱৰ সাধাৰণ কৃষি ক্ষেত্ৰত কাম কৰা শ্ৰমিকৰ সমানেই মজুৰি পায়। সেয়ে ৪৮.৫০ টকালৈ বৃদ্ধি কৰা মজুৰি জীয়াই থকাৰ বাবে নূন্যতম সামগ্ৰীৰ দাম চৰি থকাৰ সময়ত কোনোপধেয়ই ন্যায্য বুলি ক'ব নোৱাৰি। যি সময়ত উত্তৰ ভাৰতত চাহৰ ৰপ্তানি দাম প্ৰতি কেজিত গড়ে ১২২.২২ টকা আৰু দক্ষিণ ভাৰতত গড়ে ৬৪.৯৫ টকা সেই সময়ত দক্ষিণ ভাৰতৰ চাহ শ্ৰমিকৰ মজুৰি আছিল উত্তৰ ভাৰত অসম আৰু আন আন ঠাইৰ তুলনাত দুগুণ। ২০০১ চনৰ ডিচেম্বৰত নীলগিৰিৰ চাহ শ্ৰমিকৰ মজুৰি আছিল ৭৬.৮৫ টকা, কেৰেলাত ৮০ টকা, কৰ্ণাটকত ৭৫টকা, আকৌ চুবুৰীয়া শ্ৰীলংকাত ১০০ টকাৰ ওচৰাওচৰি। অথচ সেইবোৰ ঠাইত চাহ উদ্যোগ ভাগি পৰা নাই। তেন্তে অসমত কিহৰ দুখত চাহ উদ্যোগ ভাগি পৰে? কথা সেইটো নহয়, আচলতে এনেবোৰ কথাৰ উদ্দেশ্য হ'ল বোনাচ বন্ধ কৰিবলৈ, ৰেচন বন্ধ কৰিবলৈ, ক্ষুদ্ৰ চাহ খেতিয়কৰ কেঁচা চাহপাতৰ দাম কমাই ৰাখিবলৈ বৃহৎ চাহ মালিক গোষ্ঠীয়ে চলাই অহা চক্ৰান্তক চাহ শ্ৰমিক আৰু ক্ষুদ্ৰ চাহ খেতিয়কে যাতে বিনা প্ৰতিবাদে মানি লয় তাকে নিশ্চিত কৰা। চাহ উদ্যোগৰ শ্ৰমিকৰ সামান্য মজুৰী বৃদ্ধিয়ে এই উদ্যোগক ধ্বংসতো নকৰেই, বৰং শ্ৰমিকৰ মজুৰী বাঢ়িলে তেওঁলোকৰ কিনাৰ ক্ষমতাও বাঢ়ি গোটেই দেশৰ উৎপাদন ব্যৱস্থাতে নতুন গতি আনিলেহেঁতেন, জাতীয় পুঁজিৰ গঠনত সহায় কৰিলেহেঁতেন। কিন্তু, শ্ৰমিকৰ তেজপিয়া পুঁজিপতি শ্ৰেণীৰ অতি মুনাফাৰ লোভে শ্ৰমিকৰ মঙ্গল বা জাতীয় স্বাৰ্থ একো বুজি নাপায়। সিহঁতক লাগে কেৱল মুনাফা আৰু মুনাফা। তাৰবাবেই, সিহঁতৰ সেৱাদাস ৰূপী চৰকাৰবোৰৰ সহযোগত শ্ৰমিক শোষণৰ নিত্য-নতুন কৌশল ৰচনাত মত্ত সিহঁত। বৃটিছ বহুজাতিক

OKDISCD

কোম্পানী ইউনিলিভাৰৰ দেশীয় মাৰ্কা হিন্দুস্তান লিভাৰ আৰু তেনে কেইটামান বহুজাতিক বৃহৎ কোম্পানীয়ে চাহ উদ্যোগত একচেটিয়া নিয়ন্ত্ৰণ কায়েম কৰিবলৈ সৰু-বৰ দেশীয় বাগানসমূহক মাৰি পেলোৱাৰ ষড়যন্ত্ৰ ৰচি আছে।

এনে পৰিস্থিতিত অতি মুনাফালোভী মালিকপক্ষৰ শ্ৰমিকৰ ওপৰত অতি শোষণৰ বিৰুদ্ধে, ক্ষুদ্ৰ খেতিয়কৰ কেঁচাপাতৰ দাম ইচ্ছামতে কমোৱাৰ বিৰুদ্ধে, চাহৰ নিলাম বজাৰক বহুজাতিক কোম্পানীবোৰৰ খেয়াল-খুচিমতে নিয়ন্ত্ৰণ কৰাৰ অপচেষ্টাৰ বিৰুদ্ধে সকলোটি, চাহ শ্ৰমিক, ক্ষুদ্ৰ চাহ খেতিয়ক আৰু সকলো অসমপ্ৰেমী গণতান্ত্ৰিক ৰাইজ মাৰ বান্ধি থিয় হ'বৰ হ'ল সংগঠিত গণপ্ৰতিৰোধৰ বাবে। আহক আমি সকলোৱে সমস্বৰে দাবী তোলোঁঃ

- **কুৰি শতাংশ বোনাচৰ কোনো হেৰফেৰ নচলিব!**
- **চাহ শ্ৰমিকৰ মজুৰী কমেও ৭০.০০ টকালৈ বৃদ্ধি কৰক আৰু দেওবাৰতো মজুৰী দিয়ক!**
- **কেঁচা চাহপাতৰ নিৰ্ধাৰিত মূল্য স্থিৰ কৰি আইন প্ৰণয়ন কৰক আৰু ক্ষুদ্ৰ চাহ খেতিৰ সুৰক্ষাৰ বাবে যাৱতীয় ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰক!** ✪

# চাহ বাগিচাৰ ব'নাচ প্ৰসঙ্গ

**(উজনিৰ পৰা ঘূৰি আহি অমৃত চেতিয়া)**

পূজাৰ বতৰত নগৰত ৰং-ৰহইচৰ বিপৰীতে অসমৰ অৰ্থনীতিৰ অন্যতম ভেটি উজনি অসমৰ চাহ বাগিছাসমূহত দেখা দিছে বিষাদৰ ছাঁই। অসমৰ অৰ্থনীতিত মুখ্য ভূমিকা লোৱা বাগিছাৰ শ্ৰমিকসকলক আজি পূজাৰ বতৰতো বঞ্চিত কৰিছে ব'নাচৰ পৰা। উজনিৰ মহাকালী, মনখুচি, জুতুলিবাৰী, মৰাণ, চেপন, ধনশ্ৰী টি কোম্পানী, তৱাজান, হাপজান, আনকি চাহ মজদুৰ সংঘৰ সভাপতি তথা প্ৰদেশ কংগ্ৰেছৰ সভাপতি পৱন সিং ঘাটোৱাৰৰ জন্মৰ ভেটি দোমৰদলং বাগিছাৰ শ্ৰমিকেও পোৱা নাই ব'নাচ। ইতিমধ্যে ২০% ব'নাচৰ পৰা বঞ্চিত মহাকালী, মনখুচি, জুতুলিবাৰী আদি বহু বাগিছাৰ শ্ৰমিকে বাগিছা শ্ৰমিক সংঘৰ নেতৃত্বত ঐক্যবদ্ধভাৱে প'ষ্টাৰ আৰু চাইকেল অভিযানেৰে প্ৰতিবাদ সাব্যস্ত কৰাৰ সিদ্ধান্ত লৈছে। বাগিছাৰ মালিক আৰু পৰিচালনাৰ লগত চাহ মজদুৰ সংঘৰ নেতাসকলৰ গোপন লেনদেনৰ ফলতেই শ্ৰমিকসকল ২০% ব'নাচৰ পৰা বঞ্চিত হ'ব লগা হৈছে বুলি বিভিন্ন বাগিছাৰ শ্ৰমিকসকলে এই প্ৰতিবেদকৰ আগত ক্ষোভেৰে ব্যক্ত কৰে।

বিদেশী বহুজাতিক আৰু ভাৰতীয় বনিয়া গোষ্ঠীৰ বাগিছাসমূহতকৈও অসম চৰকাৰৰ অধীনস্থ অসম চাহ নিগমৰ বাগিছাসমূহৰ শ্ৰমিক কৰ্মচাৰীৰ যোৱা এবছৰে পানীত হাঁহ নচৰা অৱস্থা। আমাৰ হাতত পৰা তথ্য অনুসৰি চৈকতা বাগিছাৰ শ্ৰমিকসকলে ২০০১ চনৰ ১১ সপ্তাহৰ, ২০০২ চনৰ ৯ সপ্তাহৰ মজুৰি আজিও পোৱা নাই। ২০০২ চনত শ্ৰমিকসকলক দিয়া হৈছে ৩০ টকাকৈ মজুৰি। চাৰি সপ্তাহ ধৰি বাগিছাৰ পৰিচালকে বাগিছাত তলাবন্ধ কৰাৰ উপৰিও যোৱা ষোল মাহ ধৰি শ্ৰমিকসকল ৰেচন, খৰি, পানী, দৰব আদিৰ পৰাও বঞ্চিত। বাগিছাৰ কৰ্মচাৰীসকলক ২০০১ চনৰ মাত্ৰ জুলাই, আগষ্ট, চেপ্তেম্বৰ মাহৰ বেতন 'বেচিক পে''ৰ ওপৰত ৭৫% আদায় দিছে। পূজাৰ বতৰতো শ্ৰমিকসকলক ৩.৬৭% ব'নাচহে দিয়া হৈছে। ✪

# বৰ্ধিত মজুৰি আৰু ২০% বোনাচৰ দাবীত

# সোণাৰি সমষ্টিত প্ৰতিবাদী চাইকেল মিছিল

**(প্ৰতিবেদক ঃ কৃষ্ণকান্ত গগৈ)**

চাহ শ্ৰমিকক ২০% বোনাচ দিয়াৰ দাবীত যোৱা২৩ চেপ্তেম্বৰ তাৰিখে ঝাড়খণ্ডী আদিবাসী সংগ্ৰাম পৰিষদ আৰু আৰ্মকাৰ চৰাইদেউ জিলা সমিতিৰ উদ্যোগত এটি চাইকেল শোভাযাত্ৰা বাহিৰ হয়। উক্ত শোভাযাত্ৰাত শতাধিক চাইকেল আৰোহীয়ে অংশগ্ৰহণ কৰে আৰু দিল্লীঘাটৰ পৰা সাপেখাতীলৈকে প্ৰায় ৪০ কিঃমিঃ পথ পৰিক্ৰমাত সৰু-বৰ প্ৰায় ২৫খন বাগিছা স্পৰ্শ কৰি চাৰিহাজাৰ প্ৰচাৰ পত্ৰ বিতৰণ কৰা হয়।

বৰ্ধিত মজুৰী তুৰন্তে দিব লাগে, ২০% বোনাচ দিব লাগে আদি ধ্বনি তুলি আকাশ-বতাহ কঁপাই প্ৰতিবাদীসকলে সকলো ৰাইজৰ আকৰ্ষণ সৃষ্টি কৰিবলৈ সক্ষম হয়। উক্ত প্ৰতিবাদী শোভাযাত্ৰাৰ প্ৰভাৱত বাগিছা শ্ৰমিক আৰু ক্ষুদ্ৰ চাহ খেতিয়কসকলে এচাম বৃহৎ চাহ উদ্যোগপতিয়ে যি মিছা কৃত্ৰিম সংকট সৃষ্টি কৰিছে সেই সম্পৰ্কে বুজি উঠিছে আৰু এই চক্ৰান্ত ব্যৰ্থ কৰি দিবলৈ যাৱতীয় সংগ্ৰামত জঁপিয়াই পৰিবলৈ প্ৰস্তুত হৈছে। ✪

প্ৰান্তৰে প্ৰান্তৰে

# দীৰ্ঘ অনশনৰ পৰা বিৰত হ'বলৈ মণিপুৰী যুৱতীৰ প্ৰতি বিশ্বৰ আহ্বান ঃ কালামক হেঁচা

(যুগুতালে ঃ যুগল হাজৰিকা আৰু শেৱালি হাজৰিকাই)

ইম্ফল, ২২ চেপ্তেম্বৰ ঃ সংবাদটোৱে নিৰুৎসাহ কৰে যে ডঃ এ.পি.জে. আব্দুল কালামৰ ৫ অক্টোবৰৰ ইম্ফল ভ্ৰমণৰ সময়ত মানৱ অধিকাৰ কৰ্মী /সংগ্ৰামী, লৌহ-যুৱতী ইৰম শৰ্মিলাৰ পৰিয়ালে তেখেতক সময় উলিয়াই তাইৰ দীৰ্ঘ দুবছৰ জোৰা অনশনৰ অন্ত পেলাবলৈ পুনৰবাৰ কৰা প্ৰাৰ্থনা যেতিয়া তেখেতে অগ্ৰাহ্য কৰে।

বিশ্বৰ ইমূৰৰ পৰা সিমূৰৰ এশতকৈও অধিক মানৱ অধিকাৰ কৰ্মীয়ে ৰাষ্ট্ৰপতি ডঃ এ.পি.জে. আব্দুল কালামৰ ওচৰত সামৰিক বাহিনীৰ বিশেষ ক্ষমতা বিষয়ক আইনখনৰ বিৰুদ্ধে প্ৰায় দুবছৰ জোৰা অনশনৰ সৌভাগ্য বহন কৰা মণিপুৰী যুৱতী ইৰম শৰ্মিলাক সম্মত কৰাবলৈ আজী পেচ কৰিছিল।

আদালতৰ ওচৰত যথোচিত বিচাৰ প্ৰাৰ্থনা কৰি ইম্ফলস্থিত মানৱ অধিকাৰ সংগঠনে ১৩১ জন বিশ্ব (মানৱ) অধিকাৰ কৰ্মীয়ে শৰ্মিলাৰ অনশনৰ অন্ত পেলাবলৈ ৰাষ্ট্ৰপতিগৰাকীৰ সহায় বিচাৰি তেখেতলৈ স্বাক্ষৰ সহ স্মাৰকপত্ৰ প্ৰেৰণ কৰে।

স্বাক্ষৰ অন্তৰ্ভুক্ত আবেদনকাৰীসকল হ'ল - হংকংস্থিত এছিয়ান হিউমেন ৰাইটচ্ কমিছন্, বেংককৰ এছিয়ান ফ'ৰাম অৱ হিউমেন ৰাইটচ্ এণ্ড ডেভেলপমেণ্ট, কাঠমাণ্ডুৰ চাউথ এছিয়া ফ'ৰাম ফৰ হিউমেন ৰাইটচ্, ট্ৰেন্স নেচনেল ইন্সটিটিউট অৱ দ্যা নেদাৰলেণ্ড, মিনবিয়ান অৱ চাউথ কোৰিয়া, এফ.চি.এল.চি. অৱ অষ্ট্ৰেলিয়া আৰু লণ্ডনস্থিত ইন্সটিটিউট অৱ ৰেচ ৰিলেশ্যনশ্বিপ, নগাসকলৰ মানৱঅধিকাৰ সংগ্ৰাম (N.P.M.H.R)।

শৰ্মিলাই তাইৰ অনশন ২০০০ চনৰ ৫ নবেম্বৰ তাৰিখে আৰম্ভ কৰিছিল - অসম ৰাইফলচ্ বাহিনীৰ জোৱানে ইম্ফলৰ ওচৰৰ মালান গাঁৱৰ ১০ জন অসামৰিক লোকক কাঁচিৰে কাটি হত্যা কৰাৰ তিনিদিনৰ পাছত তাইক নাকেৰে বলপূৰ্বক জুলীয়া আহাৰ খুৱাই জীয়াই ৰখা হৈছে। তাইক জে.এন. হস্পিতালৰ এখন বিছনাত আৱদ্ধ কৰি ৰখা হৈছে, কিন্তু সামৰিক বাহিনীৰ বিশেষ আইনখনৰ বিৰুদ্ধে যুঁজখন চলাই নিয়াৰ সিদ্ধান্তত তাই স্থিৰ।

মানৱ অধিকাৰ কৰ্মী গৰাকীৰ ডাঙৰ ককায়েক ইৰম সিংঘজিতে কৈছিল ৰাষ্ট্ৰপতিয়েই একমাত্ৰ ব্যক্তি যিয়ে তাইৰ অনশনৰ আসক্তিৰ অন্ত পেলাব পাৰিব। আমি বিচাৰোঁ তেখেতে অন্ততঃ তাইক চিকিৎসালয়ত লগ কৰক। তাইৰ অনশন তেতিয়ালৈকে ভংগ নকৰিব যেতিয়ালৈকে সামৰিক বিশেষ ক্ষমতাৰ আইনখন বদ কৰা এটা দৃঢ় পদক্ষেপ নেদেখিব। কিন্তু আমি বিশ্বাস কৰোঁ কালামে বেলেগ কিবা এটা কৰিব পাৰে।'

শৰ্মিলাই ইম্ফলৰ কংগপালৰ সুদূৰ পূব জিলাৰ পৰা কয় যে, তাই বিশ্বাস কৰে - সামৰিক বাহিনীৰ বিশেষ ক্ষমতা বিষয়ক আইনখন ৰাজদ্ৰোহ বিৰোধী অভিযানৰ নামত নাগৰিকক হাৰাশাস্তি কৰাৰ এক অনুমতি-পত্ৰ। 'আমি দুখীয়া মানুহ, কিন্তু আমি শিৰ উচ্চ কৰি জীয়াই থাকিব বিচাৰোঁ।' 'শৰ্মিলাই তাইৰ জীৱনটো মণিপুৰৰ সামৰিক শক্তিৰ গালি-গালাজৰ অধিকাৰ বন্ধ কৰাৰ শাৱীত ৰাখিছিল।' সিংঘজিতে কৈছিল।

হিউমেন ৰাইটচ্ এলাৰ্টৰ অন্য এজন সদস্য কংজাম মহাবাৰীয়ে মণিপুৰী যুৱতীগৰাকীৰ যত্ন নোলোৱাত ৰাজ্য চৰকাৰক অভিযুক্ত কৰিছিল - 'আমি খবৰ পাইছোঁ যে শৰ্মিলাক উপদেশ দিয়াৰ পৰিৱৰ্তে চৰকাৰৰ তৰফৰ পৰা তাইক ভাবুকিহে দিয়া হৈছিল।'

এতিয়া কালামৰ প্ৰত্যাখ্যানৰ ওপৰত এহাতে যেনেকৈ শৰ্মিলাৰ জীৱন বিপদাপন্ন হৈ পৰিল, আনহাতে তেনেকৈ উত্তৰ পূৰ্বাঞ্চলৰ বাহিজৰ ওপৰতো ভাৰতীয় গণতন্ত্ৰৰ যুদ্ধবাজ স্বৰূপ উদং হৈ পৰিল। ✪

অৰ্থনীতি

# আত্মসহায়ক গোট গঠন অব্যাহত

(প্ৰতিবেদক ঃ সপোন বৰা)

তিতাবৰ ঃ স্বৰ্ণজয়ন্তী স্ব-ৰোজগাৰ নিয়োগ আঁচনি অনুসৰি শিক্ষিত নিবনুৱাসকলৰ আৰু দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰাসকলৰ আৰ্থিক-সামাজিক বিকাশৰ বাবে আত্মসহায়ক গোট গঠনৰ যোগেদি পুঁজি সঞ্চয়ৰ দ্বাৰা বিভিন্ন ক্ষুদ্ৰ ক্ষুদ্ৰ উৎপাদন কাৰ্যসূচীৰে কৰ্ম-সংস্কৃতিমুখী পৰিৱেশ গঢ়ি তুলিব পাৰিব। পুঁজিৰ একাংশ গোটৰ সদস্যসকলৰ মাজত ঋণ দি উৎপাদন প্ৰক্ৰিয়াত জড়িত কৰি ঋণ ঘূৰাই দিয়াৰ মানসিকতা গঢ়ি তুলিবলৈ সক্ষম হোৱা গোটবোৰে ব্লকৰ গ্ৰেডিঙত উন্নীত হোৱাৰ পিছত চলন্ত পুঁজি ১০হেজাৰ টকাকৈ পাবলৈ সক্ষম হ'ব। তিতাবৰ অঞ্চলত লখিমী ফাৰ্মাৰ্চ ক্লাৱৰ উদ্যোগত ইতিমধ্যে ১৫টামান আত্মসহায়ক গোট গঠনৰ কাম সম্পূৰ্ণ হৈছে আৰু নতুন নতুন গোট গঠনৰ প্ৰক্ৰিয়া চলি আছে। উল্লেখযোগ্য যে মাধপুৰ অগ্ৰগামী আত্মসহায়ক গোটে গাহৰি পালনৰ বাবে ডি.আৰ.ডি.এ.ৰ পৰা ২লাখ টকা পোৱাটো প্ৰায় নিশ্চিত। বৰ্তমানে ২টা গোটে চলন্ত পুঁজি ১০হেজাৰ টকা পাইছে। ফাৰ্মাৰ্চ ক্লাৱৰ উদ্যোগত গঢ়ি উঠা গোটবোৰ হ'ল - ১। টিপমীয়া উৰাং গাঁও আত্মসহায়ক গোট, ২। ২নং হাবিগাঁও আত্মসহায়ক গোট, ৩। দাংধৰা উৰাংগাঁও আত্মসহায়ক গোট, ৪। ৰূপহী জনজাতি আত্মসহায়ক গোট, চেকুৰীয়া, ৫। লখিমী আত্মসহায়ক গোট ইত্যাদি।

এইক্ষেত্ৰত আমি সমাজৰ দলিত-নিপীড়িত গোটবিলাক, যেনে জনজাতি, ঝাড়খণ্ডী আদিবাসী মহিলাৰ মাজত আত্মসহায়ক গোট গঠনত গুৰুত্ব দিছোঁ। ✪



OKDISCD

# একলব্য যুৱ সমাৰোহ

(এখন প্ৰচাৰ পত্ৰৰ পৰা সংগৃহীত)

## সমাৰোহৰ কাৰ্যক্ৰমণিকা

**১১ নবেম্বৰ, ২০০২ :** সাহিত্য প্ৰতিযোগিতাৰ বাবে লেখনী দাখিলৰ অন্তিম তাৰিখ। *(সাহিত্য প্ৰতিযোগিতাসমূহ অসমৰ সকলো যুৱক-যুৱতীৰ বাবেই মুকলি থাকিব। প্ৰতিটো বিষয়ত যোগদানৰ মাচুল দহটকাকৈ লগত পঠাব লাগিব। নিৰ্বাচিত লেখনীসমূহ যুৱ-সমাৰোহৰ স্মৃতিগ্ৰন্থ অথবা একলব্যৰ মুখপত্ৰ দোকমোকালিত প্ৰকাশ কৰা হ'ব। প্ৰতিযোগিতাসমূহ : ১) গল্প, ২) কবিতা, ৩) প্ৰবন্ধ। প্ৰবন্ধৰ বিষয় : 'আজি বিশ্বজুৰি যুৱসমাজৰ সন্মুখত দেখা দিয়া আশা-নিৰাশাৰ কাৰণ বিশ্বায়ন।' গল্প আৰু প্ৰবন্ধৰ সৰ্বোচ্চ শব্দ সংখ্যা ক্ৰমে ২০০০ আৰু ২৫০০)*

**১৪ নবেম্বৰ, ২০০২ :**

বিয়লি ৫-৫৫ বজাৰ পৰা : শিবিৰ মুকলি তথা পঞ্জীয়ন আৰম্ভ।

**১৫ নবেম্বৰ, ২০০২ :**

পুৱা ৫-০৫ বজাৰ পৰা : অৱশিষ্ট পঞ্জীয়ন।

পুৱা ৬-০৬ বজাৰ পৰা ৮-০৮ বজালৈকে : পুৱাৰ আহাৰ।

পুৱা ৯-০৯ বজাৰ পৰা : শোভাযাত্ৰা। (শোভাযাত্ৰাৰ শেষত গণ আদালতত বকাসুৰৰ শুনানীৰ প্ৰথম দিন।)

দিনৰ ১১-১১ বজাৰ পৰা : ৰচী টনা খেল (Tug of war)।

(ৰচী টনা খেলত সকলো শোভাযাত্ৰাকাৰী আৰু সমবেত ৰাইজে অংশ ল'ব পাৰিব।)

দিনৰ ১২-৩০ বজাৰ পৰা ২-০০ বজালৈ : আহাৰ বিৰতি।

দিনৰ ২-০৩ বজাৰ পৰা ৫-৩৩ বজালৈ : সমবেত সংগীত আৰু আবৃত্তি প্ৰতিযোগিতা।

*(একে মঞ্চতে এটা সমবেত সংগীত, এটা আবৃত্তি - এই ক্ৰমত অনুষ্ঠিত হ'ব। সমবেত সংগীতৰ বাবে নিৰ্ধাৰিত সময় প্ৰস্তুতিসহ সৰ্বমুঠ ৭ মিনিট। আবৃত্তি প্ৰতিযোগিতাত জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্মশতবাৰ্ষিকীৰ লগত ৰজিতা খুৱাই শিল্পীজনাৰ ৰচিত যিকোনো গীত, কবিতা, নাটক, গল্প, উপন্যাস আদিৰ যিকোনো এটা অংশ নিৰ্ধাৰিত সময় ৩ মিনিটৰ ভিতৰত পৰিৱেশ কৰিব লাগিব। সমবেত সংগীত (গীতিকাৰ, সুৰকাৰৰ নামসহ) আৰু আবৃত্তিৰ কথাখিনিৰ (উৎস সহ) দুটা প্ৰতিলিপি প্ৰতিযোগিতাৰ আগমুহূৰ্তত বিচাৰকৰ হাতত জমা দিব লাগিব।)*

বিয়লি ৫-৩৩ বজাৰ পৰা ৬ বজালৈ : চাহ বিৰতি।

বিয়লি ৬ বজাৰ পৰা ৭ বজালৈ : সাম্প্ৰ তিকযুৱ সমস্যা সম্পৰ্কে সমাৰোহৰ প্ৰতিনিধি সমূহৰ মতামত বিনিময়ৰ অনুষ্ঠান।

*(এই অনুষ্ঠানত প্ৰতিটো দলৰ পৰা একোজনকৈ প্ৰতিনিধিয়ে তেওঁলোকৰ বক্তব্য আগবঢ়োৱৰ বাবে ৩ মিনিটকৈ সময় পাব।)*

নিশা ৭-০৭ বজাৰ পৰা ১০-০০ বজালৈ : একলব্য একাডেমীৰ পৰিকল্পনাত ভিন্নসুৰী সাংস্কৃতিক অনুষ্ঠান।

নিশা ১০-২০ বজাৰ পৰা : নিশাৰ আহাৰ।

**১৬ নবেম্বৰ, ২০০২, শনিবাৰ :**

পুৱা ৫-৩০ বজাত : জাগৰণী বাদ্যৰে দিনটোৰ কাৰ্যসূচীৰ শুভাৰম্ভ।

পুৱা ৬-৩০ বজাতঃশিবিৰসমূহৰ পৰা প্ৰদৰ্শনী থলীলৈ প্ৰাতঃদৌৰ।

পুৱা ৭-০০ বজাত : প্ৰাতৰাশ।

পুৱা ৭-৩০ বজাত : প্ৰদৰ্শনীৰ দুৱাৰ মুকলি।

*(ইয়াত বিভিন্ন চিত্ৰকলা, ভাস্কৰ্য, বিজ্ঞানৰ নমুনা, বাদ্যযন্ত্ৰ, পুথি-পাঁজি, সাজ-পোছাক ইত্যাদিৰ প্ৰদৰ্শনৰ লগতে অনুমতিসাপেক্ষে বিক্ৰীৰ ব্যৱস্থাও থাকিব।)*

পুৱা ৮-৩০ বজাৰ পৰা ১২-৩০ বজালৈ : বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতা।

*(ক্ৰীড়া প্ৰতিযোগিতাসমূহ : ল'ৰা-ছোৱালী উভয় শাখাত কাবাদী, পাঞ্জা, গুটপুত্, হাইজাম্প, লংজাম্প, প'লভল্ট, ১০০ মিটাৰ দৌৰ, ৪০০ মিটাৰ ৰীলে ৰেচ ইত্যাদি।)*

দিনৰ ১২-৩০ বজাৰ পৰা ২ বজালৈ : আহাৰ বিৰতি।

বিয়লি ২ বজাৰ পৰা ৩ বজালৈ : প্ৰদৰ্শনীমূলক সমৰ কলা।

*(এই অনুষ্ঠানত যোগদানকাৰী প্ৰতিনিধি দলসমূহৰ বাহিৰেও স্থানীয় বিভিন্ন অনুষ্ঠানে অংশগ্ৰহণ কৰিব পাৰিব। গতিকে এনে দলসমূহে সমৰকলা প্ৰদৰ্শনৰ বাবে আগতীয়াকৈ কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰিব লাগিব।)*

সমৰকলাৰ শেষত গণ আদালতত বকাসুৰৰ শুনানীৰ দ্বিতীয় দিন।

বিয়লি ৩-০০ বজাৰ পৰা ৬-০০ বজালৈ : যুৱসমাজৰ সাম্প্ৰ তিক অৰ্থনৈতিক সমস্যা আৰু আত্মসহায়ক গোট গঠন সম্পৰ্কে আলোচনা।

বিয়লি ৬-০০ বজাৰ পৰা ৬-৩০ বজালৈ : আবেলিৰ আহাৰ।

বিয়লি ৬-৩০ বজাৰ পৰা নিশা ১০ বজালৈ : কাৱালী, দলীয় লোকনৃত্য, পেৰডী, জোৰানাম, মুখে মুখে ছন্দেৰে (অন্ত্যমিল) পদ্য ৰচনাৰ প্ৰতিযোগিতা ইত্যাদি।

*(কাৱালী, দলীয় লোকনৃত্য সময় - ১০ মিনিট, যোৰানাম, পেৰডী প্ৰতিযোগিতাৰ সময় - ৪ মিনিট।)*

দিনৰ ১০-২০ বজাৰ পৰা : নিশাৰ আহাৰ।

**১৭ নবেম্বৰ, ২০০২, দেওবাৰ :**

পুৱা ৫-৩০ বজাত : জাগৰণী বাদ্যৰে দিনটোৰ কাৰ্যসূচীৰ শুভাৰম্ভ।

পুৱা ৬-৩০ বজাত : প্ৰাতঃদৌৰ।

পুৱা ৭-০০ বজাত : প্ৰাতৰাশ।

পুৱা ৮-০০ বজাৰ পৰা দিনৰ ১২-৩০ বজালৈ : আকস্মিক বক্তৃতা, তৰ্ক, একক অভিনয়, মুকাভিনয় (প্ৰতিযোগিতা / প্ৰদৰ্শনী)



যুৱ সমাৰোহ উপলক্ষে ৩০ চেপ্তেম্বৰৰ চাইকেল ৰেচ

আদিৰ প্ৰতিযোগিতা। *(আকস্মিক বক্তৃতাৰ সম্ভাব্য বিষয়সমূহৰ তালিকা এখন সমাৰোহৰ প্ৰথমদিনাই দলসমূহক দি দিয়া হ'ব। তৰ্কৰ বিষয় ঃ গোলকীকৰণৰ ফলত হোৱা শিক্ষা সংকোচনে যুৱ সমাজৰ ভৱিষ্যৎ উজ্জ্বলহে কৰিব। আকস্মিক, তৰ্ক প্ৰতিযোগিতাৰ সময় - ৩ মিনিট, একক। মূক অভিনয়ৰ সময় - ৫ মিনিট।)*

দিনৰ ১২-৩০ বজাৰ পৰা ২ বজালৈ ঃ দুপৰীয়াৰ আহাৰ।

দিনৰ ২ বজাৰ পৰা ৩-৩০ বজালৈ ঃ নাটকীয় ব্যঙ্গ চিত্ৰৰ প্ৰতিযোগিতা। *(নাটকীয় ব্যঙ্গ চিত্ৰৰ সময় ঃ ১০ মিনিট। এই প্ৰতিযোগিতাৰ বাবে দলসমূহে সমাৰোহৰ প্ৰথম দিনাই দুটাকৈ পাণ্ডুলিপি জমা দিব লাগিব।)*

দিনৰ ৩-৩০ বজাৰ পৰা ৬-৩০ বজালৈ ঃ দেশৰ সাম্প্ৰ তিক আৰ্থ-ৰাজনৈতিক পৰিস্থিতি আৰু যুৱ সমাজৰ কৰ্তব্যৰ বিষয়ে আলোচনা আৰু পথ নিৰ্ধাৰণ। আলোচনাৰ শেষত গণ আদালতত বকাসুৰৰ বিচাৰৰ চূড়ান্ত ৰায়।

নিশা ৭ বজাৰ পৰা ঃ মূল সাংস্কৃতিক কাৰ্যসূচী, বঁটা বিতৰণী।

মূল সাংস্কৃতিক কাৰ্যসূচীৰ শেষত বকাসুৰৰ বিচাৰৰ ৰায় কাৰ্যকৰীকৰণেৰে সমাৰোহৰ আনুষ্ঠানিক সমাপ্তি।

**সমাৰোহৰ নীতি-নিয়মসমূহ ঃ**

(১) সমাৰোহত অসমৰ বিভিন্ন অঞ্চলৰ প্ৰতিনিধিত্বকাৰী যুৱ-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে যোগদান কৰিব পাৰিব। সকলো দলেই প্ৰথম দিনা অৰ্থাৎ ৮ নৱেম্বৰৰ দিনা পুৱা ৮ বজাৰ ভিতৰত সমাৰোহৰ থলীত উপস্থিত হৈ তেওঁলোকৰ পঞ্জীয়ন কৰাব লাগিব। যাতায়তৰ বিশেষ অসুবিধাবশতঃ কোনো দল আগদিনা বিয়লি আহি পোৱাৰ সম্ভাৱনা থাকিলে তেওঁলোকে আগতীয়াকৈ সবিশেষ জনাব লাগিব। (২) সমাৰোহত যোগদানকাৰী এটা দলৰ সংখ্যা পাঁচতকৈ কম আৰু পোন্ধৰতকৈ বেছি হ'ব নোৱাৰিব। (৩)যোগদানৰ মাচুল ঃ প্ৰতিটো দলৰ বাবদ এশ টকাকৈ, তদুপৰি প্ৰতিজন সদস্যৰ বিপৰীতে অতিৰিক্ত বিশটকাকৈ। প্ৰতিনিধি দলসমূহৰ বাহিৰৰ প্ৰতিযোগীৰ ক্ষেত্ৰত সকলোৰে বাবে মুকলি থকা কিছু প্ৰতিযোগিতাত যোগদানৰ মাচুল সুকীয়াকৈ নিৰ্ধাৰণ কৰা হ'ব। (৪) দলসমূহে প্ৰতিনিধিত্ব কৰা অনুষ্ঠানৰ পৰা প্ৰমাণ পত্ৰ লৈ আহিব লাগিব। লগতে প্ৰতিজন সদস্যৰ বয়সৰ প্ৰমাণ-পত্ৰও। (৫) যোগদানকাৰীৰ বয়সৰ সীমা সৰ্বনিম্ন ১৫ বছৰ আৰু সৰ্বোচ্চ ৩৫ বছৰ। উপদেষ্টা বা তত্বাৱধায়ক হিচাপে প্ৰতিটো দলৰ সৈতে একোজনকৈ বয়োজ্যেষ্ঠ ব্যক্তি আহিব পাৰে, তেখেতে প্ৰতিযোগিতাত ভাগ ল'ব নোৱাৰিব। (৬)প্ৰতিনিধিসকলে কোনোধৰণৰ মাদকদ্ৰব্য ব্যৱহাৰ কৰিব নোৱাৰিব। এনেধৰণৰ কোনো অসামাজিক কাৰ্যত জড়িত হ'লে তৎকালীনভাৱে বহিষ্কাৰ কৰা হ'ব। প্ৰতিটো দলৰ নিয়ম-শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত দলপতি দায়বদ্ধ থাকিব। পোছাক-পৰিচ্ছদ শালীন হোৱা বাঞ্চনীয়। (৭)সময়ানুবৰ্তিতা, পৰিষ্কাৰ-পৰিচ্ছন্নতা, অনুশাসন, আচাৰ-ব্যৱহাৰ আদিৰ বাবে পুৰস্কাৰ থাকিব।(৮)সমাৰোহৰ প্ৰতিটো কাৰ্যসূচীতে প্ৰতিনিধিসকলৰ উপস্থিতি বাধ্যতামূলক হ'ব। ইয়াৰবাবে প্ৰতিটো অনুষ্ঠানতে উপস্থিতিৰ খতিয়ান ৰখা হ'ব।(৯) দলসমূহে নিজৰ নিজৰ প্ৰয়োজনীয় বিচনা-পত্ৰ আদি লগত আনিব লাগিব। সমিতিৰ তৰফৰ পৰা থকা ঘৰ আৰু খোৱাৰ ব্যৱস্থা কৰা হ'ব। (১০)দলসমূহৰ যাতায়তৰ খৰচ নিজে বহন কৰিব লাগিব। (১১) দলসমূহক প্ৰয়োজন হ'লে হাৰমনিয়াম আৰু তবলাৰ যোগান ধৰা হ'ব। ইয়াৰ বাহিৰে আন বাদ্যযন্ত্ৰ, সাজ-পোছাক আদি নিজে আনিব লাগিব।(১২) যোগদানকাৰী প্ৰতিটো দলকে অংশগ্ৰহণৰ প্ৰমাণপত্ৰ দিয়া হ'ব।

যোগাযোগ ঃ একলব্য একাডেমী, তৰুণৰাম ফুকন পথ (নেহৰু পাৰ্কৰ সমীপত) যোৰহাট - ৭৮৫০০১ দূৰভাষ ঃ ০৩৭৬ - ৩৩৭১৮৬০, ৩৩২৭৭৩২, ৩৩৩০০৫০, ৩৩৪১৪৪৩ ✪

## একলব্যৰ ৰাজ্যিক যুৱ-সমাৰোহ

যোৰহাট, ১৮ অক্টোবৰ ঃ অসমীয়াৰ জাতীয় উৎসৱ পবিত্ৰ কাতিবিহুৰ দিনাই আজি একলব্য একাডেমীৰ দ্বাৰা আয়োজিত অসম ভিত্তিক যুৱ সমাৰোহৰ আনুষ্ঠানিক শুভ উদ্বোধন কৰা হয়। এই উপলক্ষে তৰুণ ৰাম ফুকন পথত অৱস্থিত একাডেমীৰ কাৰ্যালয় প্ৰাংগণত তুলসী ভেটিত বন্তি প্ৰজ্বলন কৰে সমাৰোহ সমিতিৰ সভাপতি ডঃ বেণু গগৈৰ আহ্বানক্ৰমে কবি প্ৰতাপ গোস্বামীয়ে। এই উপলক্ষে অনুষ্ঠিত প্ৰীতি মেহফিলত অধ্যাপক মাণিক শইকীয়া, ডঃ দেৱব্ৰত শৰ্মা, ৰেখামণি বৰুৱা, পংকজ ভৰালী, ৰাতুল কুমাৰ দাস, পুলক গগৈ, প্ৰতিম বৰবৰা, সান্ত্বনা শৰ্মা, শেৱালি দাস, দেৱব্ৰত মহন্ত, গিৰীশ পাঠক, প্ৰজ্ঞাসপ্ৰাণ হাজৰিকা, সংগীতা বৰুৱা, গীতিমা দেৱী, ডিম্পল পাঠক, কমল বড়ি, হালমা-নিৰ্মালি-ঋতুস্মিতা আদিয়ে অংশগ্ৰহণ কৰে। প্ৰীতি মেহফিলত প্ৰাক্তন বিধায়ক হেমন্ত কলিতাই শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। মেহফিলৰ অন্তত এঘাৰ ফুট উচ্চতাৰ বকাসুৰৰ বিশাল মূৰ্তি আদালতৰ কাঠগৰাত থিয় কৰাই বকাসুৰৰ সন্দৰ্ভত ৰাইজৰ সাক্ষ্য লোৱা হয়। অৱশেষত ৬৬জন যুৱক-যুৱতীয়ে গোৱা সমবেত সংগীতেৰে অনুষ্ঠানৰ ওৰ পৰে। ✪(অসমীয়া প্ৰতিদিন, ১৯।১০।২০০২)

## যুৱ সমাৰোহত যোগদানৰ সিদ্ধান্ত

যোৱা ১৫ অক্টোবৰৰ দিনা বিজয়া দশমীৰ ধামখুমীয়াৰ মাজতে তিতাবৰৰ ওচৰৰ ফালেঙীচুক গাঁৱত ফালেঙীচুক নৱোদয় যুৱ সংঘৰ উদ্যোগত গাঁৱৰ যুৱকসকলৰ মাজত এখন সভা অনুষ্ঠিত হয়। যুৱ-নেতা সপোন বৰাৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত একলব্য একাডেমীৰ আগন্তুক যুৱ সমাবোহ উদ্‌যাপন সমিতিৰ হৈ দেৱব্ৰত শৰ্মাই যুৱ সমাৰোহৰ বিষয়ে আলোচনা আগবঢ়ায়। পংকজ কুমাৰ শইকীয়াই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত জয়ন্ত হাজৰিকা, শ্ৰীমন্ত হাজৰিকা, বুবুল বৰা আদি স্থানীয় যুৱকসকলেও বক্তব্য আগবঢ়াই আগন্তুক যুৱ সমাৰোহত যোগ দিবলৈ সিদ্ধান্ত লয়।✪



সমাৰোহৰ প্ৰস্তুতিপৰ্বৰ বিভিন্ন মুহূৰ্ত

Regn.No.N3359/79

শোক-শপত

# পুৰণি সমাজ ভাঙিব বিচৰা

# বিদ্ৰোহী কবি পুতুল হাজৰিকা আৰু নাই



'কবিতা কিছু ৰক্তহীন শব্দৰ সমদল নহয়/ ই প্ৰতিবাদৰ প্ৰখৰ ভাষা/ আশা আৰু বিশ্বাসৰ সেউজ পতাকা/ কবিতা, কিছু ৰক্তহীন শব্দৰ সমদল নহয়/ ই ৰক্তাক্ত সময়ৰ দলিল/ যুদ্ধৰ ইস্তাহাৰ/ই বিক্ষুব্ধ মানুহৰ বিদ্ৰোহী মিচিল।'

\- পুতুল হাজৰিকা

কবিতাক প্ৰতিবাদ, আশা, বিশ্বাস, ঘৃণা, কৰুণা, যুদ্ধৰ দলিল, বিদ্ৰোহী মিচিলত পৰিণত কৰিব বিচৰা, পুৰণিৰ ভেটি ভাঙি নতুনক প্ৰতিষ্ঠা কৰিব বিচৰা অস্থিৰ আৰু ব্যাকুল বিদ্ৰোহী কবি পুতুল হাজৰিকা অৱশেষত 'পৰাজিত' হ'ল নিয়তিৰ হাতত। যোৱা ১১ অক্টোবৰৰ নিশা ৭-৩৫ বজাত বোকাখাটৰ কুকুৰাবাহীৰ সেৰকানত থকা নিজ বাসভৱনত বহু গুণমুগ্ধক কন্দুৱাই তিনি দশকৰো অধিক কাল বলিষ্ঠ কবিতাৰে কবিতাত নিৰলস শাণ দি থকা সাৰ্থক কবিজনে চিৰবিদায় লয়। ৫২ বছৰীয়া পুতুল হাজৰিকাই আজি আঠ মাহৰো অধিক কাল যন্ত্ৰণাকাতৰ ৰক্তৰ কৰ্কটৰোগত ভুগি আছিল। ভাৰতৰ আকাশত বসন্তৰ বজ্ৰনিৰ্ঘোষ খ্যাত নক্সালবাৰী আন্দোলনৰ সময়ত, সত্তৰ দশকক মুক্তি আৰু স্বপ্নদেখাৰ দশক বুলি ভৱা ৰোমাণ্টিক বিপ্লৱৰ বহু কবিয়ে কবিতাত শাণ দিছিল। তাৰ পিছতে তেওঁলোকে পৃষ্ঠভংগ দিছিল ৰণক্লান্ত হৈ। মেহনতী মানুহৰ মুক্তিৰ বাবে আংগিক আৰু শব্দবিলাসক বাদ দি, ফুল-তৰা আৰু গানৰ কবিতাৰ বিপৰীতে নিজৰ কবিতাক ক্ষুৰধাৰ গানত পৰিণত কৰি অনাবিল প্ৰেৰণা দিব পৰা সাৰ্থক কবিতা লিখা পুতুল হাজৰিকাৰ গ্ৰন্থ সংকলনসমূহ হ'ল ঃ নিৰন্ন মানুহৰ মিচিল, আকৌ এখন যুদ্ধ হওক, বুকুত আকৌ বসন্ত, শেষ যুদ্ধৰ সেনাপতি, উৰি যোৱা চৰাই, কাব্যজগতত গল্প পুথি। সাপ্তাহিক জনমভূমিৰ উপ-সম্পাদকৰূপে কৰ্মজীৱন আৰম্ভ কৰা পুতুল হাজৰিকাই মৃত্যুৰ সময়লৈকে দৈনিক জনমভূমি কাকতৰ বোকাখাত অঞ্চলৰ সংবাদদাতা হিচাপে কাম কৰি আছিল। এইখিনিতে স্মৰণযোগ্য যে আশীৰ দশকৰ আৰম্ভণিতে জনমভূমি প্ৰতিষ্ঠানৰ শ্ৰমিক শোষণকাৰী ব্যৱস্থাপনাৰ বিপক্ষে ২১ দিন জোৰা যি সংগ্ৰাম চলিছিল (সেইছোৱা সময় কাকতখন বন্ধ হৈ গৈছিল) তাত নেতৃত্ব দিছিল পুতুল হাজৰিকাই। এই সংগ্ৰামক নেতৃত্ব দিয়া আমাৰ পাৰ্টিৰ তিনিজনীয়া চেলটোৰ তেখেত আছিল অন্যতম সদস্য। জনমভূমি প্ৰতিষ্ঠানৰ মালিকপক্ষই তেতিয়া চলি থকা অসম আন্দোলনৰ দোহাই দি আছু নেতৃত্বক ব্যৱহাৰ কৰি ভয়-ভাবুকিৰ জৰিয়তে আন্দোলনটো ভাঙি পেলাবলৈ সক্ষম হয়। পুতুল হাজৰিকা, দেৱ দুৱৰা, ৰবীন চেতিয়া আদিক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হয়। তৎসত্বেও পৰাজয় মানি নল'লে পুতুলদাই। জীৱনৰ অন্তিম ক্ষণলৈকে তেওঁ উৰাই থাকিল বিদ্ৰোহৰ একেখনি ৰক্তিম নিচান।

মৰিয়াহোলাৰ বানপানী বিধ্বস্ত খাটিখোৱা, সৰ্বহাৰাসকলৰ কথাৰে কবিতা লিখা পুতুল হাজৰিকাক মৰিয়াহোলাৰ কবি বুলি জনা যায়। বিশিষ্ট প্ৰতিবাদী গল্পকাৰ জেহিৰুল হুছেইনে পুতুল হাজৰিকাৰ কবিতা সংকলনৰ সম্পৰ্কে লিখিছে - 'নিৰন্ন মানুহৰ মিচিলৰ সৰহভাগ কবিতাই কবিৰ আগবয়সৰ সৃষ্টি। সেয়ে কবিতাবোৰত অহৈতুকী উচ্ছাস, তাৰুণ্যই প্ৰাধান্য পাইছে। কেতিয়াবা হয়তো স্লোগানৰ ৰূপো লৈছে। কিন্তু খাটিখোৱা মানুহৰ প্ৰতি কবিৰ যি দায়বদ্ধতা, কবিয়ে তাক কেতিয়াও পাহৰা নাই। তথাকথিত 'উচ্চমানবিশিষ্ট' আলোচনীৰ বাবে আংগিক নাইবা শব্দৰ খেলা পতা নাই তেওঁ। সমাজ বিপ্লৱৰ যোগেদি নতুন পৃথিৱী গঢ়াৰ মাও-চে-টুঙৰ 'চাৰিপাহাৰ' জনগণৰ বুকুৰ পৰা খহাই পেলোৱাৰ উদাত্ত আহ্বানেই পুতুল হাজৰিকাৰ কবিতা। কবিৰ ভাষা প্ৰয়োগত কোনো লুক-ঢাক নাই। শব্দৰ মোহজালত তেওঁ বন্দী নহয়।'



অসম আন্দোলনৰ সময়ত বাওঁপন্থীসকলৰ ওপৰত চলা নিৰ্যাতনৰ প্ৰতিবাদ কবি পুতুল হাজৰিকাৰ প্ৰতিবাদী কলমে লিখিছিল - 'কবিতাৰ জোলোঙা কান্ধত ওলোমাই/ বাটে পথে কবিতা বিলাই/ দিনৰ দিনটো ঘূৰি ফুৰা সেই ল'ৰাটো/ পথৰ দাঁতিত এতিয়া পৰি আছে/তাৰ কবিতাৰ জোলোঙাটো /তাৰ শব্দবোৰ/ হৈ আছে শাৰী পাতি/ শোকৰ শোভাযাত্ৰাত যোগ দিবলৈ/ এজন মানুহ বিচাৰি।'

মৰিয়াহোলা নিসন্দেহে পুতুল হাজৰিকাৰ অন্যতম শ্ৰেষ্ঠ কবিতা। মৰিয়াহোলা ব্ৰহ্মপুত্ৰৰ খহনীয়াত জাহ যোৱা গোলাঘাট জিলাৰ এখন ঐতিহাসিক গাঁও। কবি হাজৰিকাই এই কবিতাত লিখিছে - 'মৰিয়াই মাটি খান্দি হোলা কৰা মৰিয়াহোলা/ নিচিনি নিচিনি এতিয়া একোকে নিচিনি/ মৰিয়াহোলা এতিয়া এখন গাঁও নহয়, নহয় এখন পথাৰ/ মৰিয়াহোলা এতিয়া মাথোঁ এটা নাম, এসোঁতা স্মৃতি/ বাৰিষা আহিলেই বাতৰিৰ শিৰোনাম হোৱা/ মৰিয়াহোলা মাথোঁ এটা খবৰ/ নিতৌই নিয়মমাফিক এটা নিৰৰ্থক খবৰ।'

প্ৰায় আঢ়ৈ দশক প্ৰতিবাদী কবিতাৰ শলিতাগছি কলিজাৰ তেজেৰে জ্বলাই ৰখাৰ পাছতো বাৰে বাৰে শোষকৰ পাল খেদিও ৰণক্লান্ত নোহোৱা কবিজনে অলপদিন আগতেও লিখিছিল এনেকৈ - 'নক্সালবাৰী কেৱল এটা নামেই নহয়, এটা পথো ...../বাৰে বাৰে ভাগিছে সপোন/ভাগক দিয়া/হতাশাৰ নাই কোনো কাৰণ ......'।

এইদৰে সুদীৰ্ঘ তিনি দশক 'তেজত জুই জ্বলাই' অৱশেষত সেই জুইত নিজেই জ্বলি জ্বলি নিঃশেষ হৈ গ'ল পুতুল হাজৰিকা। সত্তৰ দশকতে পিচিচি, চিপিআই-এমএলৰ সদস্য পদ লাভ কৰা বিপ্লৱী কবিজনক আমি আজি ৰক্তিম অভিবাদন যাঁচিছোঁ আৰু তেওঁৰ আশাবাদেৰেই সমৃদ্ধ হৈ সপোন দেখিছোঁ, 'বসন্তৰ বজ্ৰনিনাদেৰে/আকৌ নিনাদিত হৈ উঠক সময়/আকৌ উভতি আহক সেই দিনবোৰ/ আমি জানো ঃ সূৰ্যোদয় সূৰ্যাস্তৰ দৰেই সপোনবো আছে উত্থান পতন'। ...... আমাৰ অপৰাজেয় সপোনৰ প্ৰতীক পুতুল হাজৰিকা জীয়াই থাকিব খাটিখোৱা মানুহৰ বুকুৱে বুকুৱে।

☐ দেৱব্ৰত-বিষ্ণুৰাভ



ভাস্কৰ নন্দীৰ দ্বাৰা সম্পাদিত আৰু ব্ৰজেন শইকীয়াৰ দ্বাৰা লিপি অফচেট, ... হাটত মুদ্ৰিত,প্ৰকাশিত।